Content includes AI-generated material

www.newsnextone.com
e সংবাদ

**চিমেণ্ট উদ্যোগ! ছয়গাঁৱত প্ৰতিবাদ**

**ই-সংবাদ, ১৬ জানুৱাৰীঃ** জনজাতীয় এলেকাৰ ভূমি চিমেণ্ট উদ্যোগত গতাই দিব খোজাত ২ পৃষ্ঠাত চাওক

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

FRIDAY, JANUARY 17, 2025 ■ শুকুৰবাৰ, ৩ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২১ Guwahati, Assam ।। মূল্যঃ এটকা

## ডব্লিউ ই এফৰ ডুমডুমা ফেক্টৰীলৈ বিশেষ স্বীকৃতি

**ই-সংবাদ, ডুমডুমা, ১৬ জানুৱাৰীঃ** ৱৰ্ল্ড ইকনমিক ফ'ৰাম (ডব্লিউ ই এফ)-এ অসমৰ তিনিচুকীয়া জিলাৰ চাহ নগৰীখ্যাত শেষাংশ ৪ পৃষ্ঠাত

### গুণাগথাৰ অন্ত! পুৰণি বিজেপিয়েই পালে ৰাজ্যিক মুৰব্বীৰ দায়িত্ব

# দিলীপ শইকীয়া সভাপতি



**ই-সংবাদ, ১৬ জানুৱাৰীঃ** দীৰ্ঘ জল্পনা-কল্পনাৰ অৱসান ঘটাই আজি অসম ৰাজ্যিক বিজেপিয়ে লাভ কৰিলে নতুন সভাপতি। হিমন্ত বিশ্ব শৰ্মা আৰু সৰ্বানন্দ সোণোৱাল লবীৰ সৈতে জড়িত নথকা সাংসদ দিলীপ শইকীয়াক বিজেপিৰ পৰৱৰ্তী সভাপতি নিৰ্বাচিত শেষাংশ ৬ পৃষ্ঠাত

## গঠন হ'ব অষ্টম দৰমহা আয়োগ!

**নতুন দিল্লী, ১৬ জানুৱাৰীঃ** এক দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত অৱশেষত কেন্দ্ৰীয় চৰকাৰে গঠন কৰিলে অষ্টম পে' কমিছন। শেষাংশ ৪ পৃষ্ঠাত

## কেবিনেটত মৰিগাঁৱলৈ ২৭০ কোটিৰ পেকেজ ঘোষণা

**উমৰাংছুৰ ঘটনা সন্দৰ্ভত বহু সিদ্ধান্ত**



**ই-সংবাদ, মৰিগাঁও, ১৬ জানুৱাৰীঃ** মৰিগাঁও জিলা আয়ুক্তৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ৩ পৃষ্ঠাত চাওক

## হঠাৎ বন্ধ ঘোষণা 'হিণ্ডেনবাৰ্গ ৰিচাৰ্চ'ৰ!

**নিউয়ৰ্ক, ১৬ জানুৱাৰীঃ** বিশ্বৰ শক্তিশালী কৰ্পৰেট সত্তাৰ বিৰুদ্ধে জালিয়াতিৰ অভিযোগ উত্থাপন কৰি আলোড়নৰ সৃষ্টি কৰিছিল আমেৰিকাৰ শ্বৰ্ট চেলাৰ প্ৰতিষ্ঠান হিণ্ডেনবাৰ্গ ৰিচাৰ্চে। ভাৰতীয় পুঁজিপতি ২ পৃষ্ঠাত চাওক

## ইলন মাস্কক লৈ বাইডেনৰ আশংকা

**নিউয়ৰ্ক, ১৬ জানুৱাৰীঃ** হোৱাইট হাউচৰ অন্তিম ভাষণত বিদায়ী ৰাষ্ট্ৰপতি জো বাইডেনৰ মুখত শুনা গ'ল আমেৰিকাৰ শেষাংশ ৫ পৃষ্ঠাত

### ঘটনাৰ ১০ দিনৰ পিছত তদন্ত সমিতি গঠন, প্ৰস্তুত কৰিব এছঅ'পি

# অৱশেষত অবৈধ খননৰ কথা প্ৰকাৰন্তে স্বীকাৰ মুখ্যমন্ত্ৰীৰ!

### ■ নিহত-সন্ধানহীন শ্ৰমিকৰ পৰিয়াললৈ ১০ লাখৰ ক্ষতিপূৰণ

**ই-সংবাদ, গুৱাহাটী-মৰিগাঁওঃ ১৬ জানুৱাৰীঃ** উমৰাংছুৰ কয়লা ছিণ্ডিকেটৰ লগত জড়িত দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী শেষাংশ ৫ পৃষ্ঠাত



## বিটিআৰৰ বিধান পৰিষদ ভৱন চালে অধ্যক্ষ দৈমাৰীয়ে

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ জানুৱাৰীঃ** অহা ১৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ বাজেট অধিৱেশনৰ ৩ পৃষ্ঠাত চাওক

## লাহোৱালত যুৱতীক ধৰ্ষণ কৰি হত্যা, চাঞ্চল্য

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৬ জানুৱাৰীঃ** ২২ বছৰীয়া আদিবাসী যুৱতীৰ হত্যাকাণ্ডই জোকাৰি শেষাংশ ৬ পৃষ্ঠাত

## নলবাৰীত গৌৰৱ গগৈ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৬ জানুৱাৰীঃ** কলিয়াবৰত ছয়মাহত খেতি মাটি উদ্যোগলৈ পৰিৱৰ্তন কৰিব পাৰে। কিন্তু ছয়মাহত ভোটাৰ তালিকা ঠিক কৰি পঞ্চায়ত নিৰ্বাচন পাতিব নোৱাৰে। আজি পুনৰ পঞ্চায়ত নিৰ্বাচনক লৈ চৰকাৰক আক্ৰমণ কৰিছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। নলবাৰীত এখন দলীয় সভাত অংশ লৈ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলক ৭ পৃষ্ঠাত চাওক




খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও বিৰোধীৰ, বাতৰি ভিতৰৰ পৃষ্ঠাত




## চিংফৌ ৰজা বিছা নঙ চিংফৌ আৰু নাই

**ই-সংবাদ, ডুমডুমা, ১৬ জানুৱাৰীঃ** চিংফৌ ৰজা বিছা লাড নং চিংফৌ আৰু নাই। শাৰীৰিক অসুস্থতাৰ ৪ পৃষ্ঠাত চাওক

### শৰীৰৰ ছটাকৈ স্থানত আঘাত, অস্ত্ৰোপচাৰ সম্পন্ন

# নিজ বাসগৃহতে ছইফক ছুৰিকাঘাত

**মুম্বাই, ১৬ জানুৱাৰীঃ** নিজৰ বাসগৃহতে দুৰ্বৃত্তৰ ছুৰিকাঘাতত আহত হ'ল বলিউডৰ অভিনেতা ছইফ আলী খান। মাজনিশা অতৰ্কিতে মুম্বাইৰ



বান্দ্ৰাস্থিত বাসগৃহত প্ৰৱেশ কৰা অচিনাক্ত দুৰ্বৃত্তৰ আক্ৰমণত আহত হোৱা অভিনেতাগৰাকী বৰ্তমান চিকিৎসাধীন হৈ শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# নিজ বাসগৃহতে ছইফক ছুৰিকাঘাত

আছে মুম্বাইৰ লীলাৱতী হাস্পতালত। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, বুধবাৰে নিশা ২ বজাত ছইফৰ বান্দ্ৰাস্থিত বাসগৃহ সদগুৰু শৰণ বিল্ডিঙত প্ৰৱেশ কৰে দুৰ্বৃত্তই। প্ৰাথমিক অনুমান অনুসৰি ডকাইতিৰ উদ্দেশ্যৰে অভিনেতাজনৰ বাসগৃহত প্ৰৱেশ কৰিছিল দুৰ্বৃত্তই। সেই সময়ত শুই আছিল ছৈফ আৰু পৰিয়ালৰ আন সদস্যসকল। কিন্তু শব্দ শুনি সাৰ পাই চিঞৰ-বাখৰ কৰোতেই অভিনেতাজনক কেইবাবাৰো ছুৰীৰে আক্ৰমণ কৰি পলায়ন কৰে দুৰ্বৃত্তই। এই ছুৰীকাঘাতৰ পিছতে পুৱতি নিশা প্ৰায় তিনি বজাত ছৈফ আলী খানক ভৰ্তি কৰোৱা হয় মুম্বাইৰ লীলাৱতী হাস্পতালত। অন্যহাতে ঘটনাৰ পিছতে মুম্বাই আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি প্ৰথমে অভিনেতাজনৰ বাসভৱনৰ চিচিটিভি ফুটেজ পৰীক্ষা কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, এই চিচিটিভি ফুটেজত আক্ৰমণ সংঘটিত কৰাৰ পিছত দুৰ্বৃত্তজন চিৰিৰে নামি যোৱা প্ৰত্যক্ষ হৈছে। অৱশ্যে এতিয়াও দুৰ্বৃত্তজনৰ পৰিচয় চিনাক্ত কৰিব পৰা নাই মুম্বাই আৰক্ষীয়ে। ইফালে লীলাৱতী হাস্পতালৰ ডাঃ নীৰজ উত্তমনীয়ে কয় যে ছৈফৰ শৰীৰত ছয়টা আঘাতৰ চিন দেখা গৈছে, তাৰ ভিতৰত দুটা যথেষ্ট গভীৰ। মেৰুদণ্ডৰ ওচৰতো আঘাতপ্ৰাপ্ত হৈছে অভিনেতাজন। বৃহস্পতিবাৰে তেওঁৰ অস্ত্ৰোপচাৰৰ বাবে গঠন কৰা হয় বিশেষজ্ঞ চিকিৎসকৰ এটা দল। বৰ্তমান অভিনেতাজনৰ স্বাস্থ্য সুস্থিৰ বুলি জানিবলৈ দিছে আৰক্ষীয়ে। আনফালে, আৰক্ষী আৰু মুম্বাই ক্ৰাইম ব্ৰাঞ্চে যৌথভাৱে এই ঘটনাৰ তদন্ত আৰম্ভ কৰি আক্ৰমণকাৰীৰ সন্ধান অব্যাহত ৰাখিছে। ইপিনে, নিজৰ বাসগৃহত মাজনিশা দুৰ্বৃত্তৰ আক্ৰমণৰ ছইফ আলী খান আঘাতপ্ৰাপ্ত হোৱাৰ পিছতে মায়ানগৰী মুম্বাইত মানুহৰ সুৰক্ষাক লৈ পুনৰবাৰ প্ৰশ্নৰ উত্থাপন হৈছে। যদি এগৰাকী চেলিব্ৰেটীয়েই নিজ বাসগৃহত সুৰক্ষিত নহয়, তেন্তে সাধাৰণ জনতা কেনেকৈ সুৰক্ষিত বুলিও আক্ষেপ কৰিছে বিভিন্নজনে। এনে সময়তে অভিনেতাজনৰ ওপৰত সংঘটিত আক্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে কয় যে মুম্বাইক 'অসুৰক্ষিত' বুলি কোৱাটো শুদ্ধ নহয়। মুখ্যমন্ত্ৰীজনে কয়, "ভাৰতৰ বহু ডাঙৰ ডাঙৰ চহৰৰ ভিতৰত মুম্বাই আটাইতকৈ সুৰক্ষিত চহৰ। কেতিয়াবা নঘটিবলগীয়া ঘটনা ঘটি যাব পাৰে। কিন্তু তাৰ বাবেই মুম্বাইক সুৰক্ষিত নহয় বুলি কোৱাটো সঠিক নহয়।" তেওঁৰ এই দাবীৰ বিপৰীতে মুম্বাইৰ সুৰক্ষাক লৈ চিন্তিত হৈছে জনতা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হঠাৎ বন্ধ ঘোষণা 'হিণ্ডেনবাৰ্গ ৰিচাৰ্চ'ৰ!

গৌতম আদানিৰ আদানি গ্ৰুপৰ দৰে প্ৰভাৱশালী কোম্পানীক লক্ষ্য কৰি বিস্ফোৰক প্ৰতিবেদনৰে আন্তঃৰাষ্ট্ৰীয় শিৰোনাম দখল কৰিছিল সংস্থাটোৱে। কিন্তু এতিয়া এই হিণ্ডেনবাৰ্গ ৰিচাৰ্চে নিজৰ কাৰ্য্যকলাপ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। এই খবৰ প্ৰকাশ পোৱাৰ পিছতে বিশ্বজুৰি পুনৰ এবাৰ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। হিণ্ডেনবাৰ্গ ৰিচাৰ্চৰ প্ৰতিষ্ঠাপক নাথান এণ্ডাৰছনে ১৫ জানুৱাৰী অৰ্থাৎ বুধবাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে কোম্পানীটো বন্ধ কৰাৰ কথা। কোম্পানীটোৰ ৱেবছাইটত তেওঁ কয় যে ইতিমধ্যে বাকী থকা কাম সম্পূৰ্ণ হোৱাৰ পিছত কোম্পানীটোৰ কাম-কাজ বন্ধ কৰাৰ পৰিকল্পনা কৰা হৈছে। অৱশ্যে এই সিদ্ধান্তৰ আঁৰত কোনো ভাবুকি বা স্বাস্থ্য সম্পৰ্কীয় কাৰণ নাই বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। বৰঞ্চ এণ্ডাৰছনে জীৱনৰ এক নতুন অধ্যায়ৰ আৰম্ভণিৰ ইংগিত দিছে। উল্লেখ্য যে, ২০১৭ চনত প্ৰতিষ্ঠা হোৱা এই সংস্থাটোৱে মূলতঃ ফৰেনছিক বিত্তীয় গৱেষণাৰ কাম কৰিছিল। সংস্থাটোৰ কাম আছিল বিভিন্ন কৰ্পৰেট প্ৰতিষ্ঠানৰ বিত্তীয় ব্যৱস্থাপনাৰ স্বচ্ছতা পৰ্যালোচনা কৰা আৰু সম্ভাব্য দুৰ্নীতি, অনিয়ম বা প্ৰৱঞ্চনাৰ বিৰুদ্ধে প্ৰমাণ সংগ্ৰহ কৰা। ২০২২ চনত আদানি গ্ৰুপৰ বিৰুদ্ধে প্ৰকাশিত এক প্ৰতিবেদনত সংস্থাটোৱে দাবী কৰিছিল যে আদানি গ্ৰুপে নিজৰ শ্বেয়াৰৰ মূল্যত হেতালি খেলি কৃত্ৰিমভাৱে ইয়াক অধিক দেখুৱাইছিল। ইয়াৰ ফলত ভাৰতীয় বজাৰত শ্বেয়াৰৰ মূল্য ব্যাপকভাৱে হ্ৰাস পোৱাৰ লগতে গৌতম আদানিৰ সম্পত্তিৰ মূল্যৰো বৃহৎ পতন ঘটে। অৱশ্যে আদানি গ্ৰুপৰ পূৰ্বেও সংস্থাটোৰ ৰাডাৰত আছিল নিকোলা কৰ্পৰেশ্যন। হিণ্ডেনবাৰ্গে ২০২০ চনত ইলেক্ট্ৰিক ট্ৰাক নিৰ্মাতা কোম্পানীটোৰ বিৰুদ্ধে আৰ্থিক জালিয়াতিৰ অভিযোগ উত্থাপন কৰিছিল। কোম্পানীটোৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে নিকোলাই বিনিয়োগকাৰীক বিপথে পৰিচালিত কৰিছিল আৰু প্ৰযুক্তিগত উন্নতিৰ ভুৱা দাবী কৰিছিল। ফলত নিকোলাৰ প্ৰতিষ্ঠাপক ট্ৰেভৰ মিল্টনৰ বিৰুদ্ধে তদন্ত আৰম্ভ হয় আৰু তেওঁক দোষী সাব্যস্ত কৰা হয়। প্ৰণিধানযোগ্য যে, নাথান এণ্ডাৰছন নিজেই এজন সংগ্ৰামী ব্যক্তি হিচাপে পৰিচিত। ধনী পৰিয়ালৰ নহ'লেও তেওঁ শক্তিশালী কৰ্পৰেট সত্তাৰ সন্মুখত থিয় দি আহিছে আৰু আৰ্থিক দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দি আহিছে। তেওঁৰ এই সংগ্ৰামত একাধিকবাৰ বিপদত পৰিলেও নিজৰ লক্ষ্যৰ পৰা যেন বিচ্যুত হোৱা নাছিল। এনে পৰিপ্ৰেক্ষিতত এতিয়া আকস্মিকভাৱে সংস্থাটোৰ কাম-কাজ বন্ধ কৰাৰ বাবে তেওঁৰ সিদ্ধান্তক লৈ আশ্বৰ্য ব্যক্ত কৰিছে অনুগামীসকলে। মন কৰিবলগীয়া যে, এণ্ডাৰছনে তেওঁৰ প্ৰতিষ্ঠানৰ নাম হিণ্ডেনবাৰ্গ ৰিচাৰ্চ ৰখাৰ সিদ্ধান্ত লৈছিল ১৯৩৭ চনত সংঘটিত হোৱা হিণ্ডেনবাৰ্গ বিমান দুৰ্ঘটনাৰ স্মৃতিত। সেই সময়ত যেনেকৈ এখন বিলাসী বিমান ধ্বংস হৈছিল, নাথানৰ সংস্থাটোৱেও কৰ্পৰেট জগতত ইটোৰ পিছত সিটো কেলেংকাৰী উদঙাই দি 'মানৱসৃষ্ট দুৰ্যোগ' ৰোধৰ বাবে কাম কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চিমেণ্ট উদ্যোগ! ছয়গাঁৱত প্ৰতিবাদ

আকৌ জাঙুৰ খাই উঠিছে দক্ষিণ কামৰূপৰ ছয়গাঁৰ জনজাতীয় সমাজ। চিমেণ্ট উদ্যোগৰ বিৰুদ্ধে ধাৰাবাহিক প্ৰতিবাদ ৰখা ছয়গাঁৰ জনজাতীয় সমাজৰ ভূমি বণিয়াক গতাই দিব খোজাৰ বিৰুদ্ধে ধাৰাবাহিক প্ৰতিবাদ অব্যাহত ৰাখিছে। গোৱৰ্ধনত চিমেণ্ট উদ্যোগ স্থাপনৰ বিৰোধিতা কৰি আজিও কেইবা শতাধিক লোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। গোৱৰ্ধন আঞ্চলিক যুৱ সংঘৰ বাকৰিত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰি কেইবাটাও জনজাতীয় সংগঠনে। মাটি প্ৰদান কৰিব খোজা দালাল আৰু চিমেণ্টক উদ্যোগক হুঁছিয়াৰ কৰি কোনো কাৰণত উদ্যোগৰ বাবে ভূমি দিয়া নহ'ব বুলি স্পষ্ট কৰে। মাটিৰ দালাল হুঁছিয়াৰ, জনজাতীয় এলেকাত বহিৰাগতক মাটি দিয়া নহ'ব, আমাক ন্যায় দিয়ক, চিমেণ্ট উদ্যোগ বন্ধ কৰক আদি শ্লগানেৰে আকাশ-বতাহ কপাই তোলে। আলৰ্টাটেক চিমেণ্ট উদ্যোগ স্থাপনৰ বিৰোধ কৰি শ্ল'গান দি সেউজ ভূমি নষ্টি কৰিব দিয়া নহ'ব বুলি স্পষ্ট কৰি দিয়ে। সুন্দৰ দাস, ৰূপৰাজ তালুকদাৰ নামৰ ২ মাটিৰ দালালৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদীসকলে। চিমেণ্ট কাৰখানা স্থাপনৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ কৰি কয় যে চৌধুৰীখাত, কাৰৈমাৰী, দক্ষিণ বাংকাকাটা, বেলগুৰি, ধোৱাৰগাঁও, লাট ভূমি নষ্টি কৰিব নিদিও। ভূমি সংৰক্ষণ সমিতিয়ে দীৰ্ঘদিন ধৰি ছয়গাঁৰ গোৱৰ্ধনত চিণ্ট উদ্যোগৰ স্থাপনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গৈছে। ৰাইজে কয় যে চিমেণ্ট উদ্যোগে মানুহক ৰুগীয়া কৰিব। জীৱ-জন্তু ৰুগীয়া হ'ব, গছ-গছনি, ফল-মূলৰ গছ মৰহি যাব। সেয়ে ৫২খন ৰাজহ গাঁৱে চিমেণ্ট কাৰখানা স্থাপনৰ বিৰোধিতা কৰি গৈছে। ৰাভা ছাত্ৰ সন্থাই চৰকাৰক সকীয়াই দি কয় যে কৃষিপ্ৰধান অঞ্চলত কোনো কাৰণতে চিমেণ্ট উদ্যোগ স্থাপন কৰিবলৈ দিয়া নহ'ব। ৰাজপথ বন্ধ কৰি তেজ দি হ'লেও চিমেণ্ট কাৰখানা স্থাপনত বাধা দিম। চিমেণ্ট কাৰখানাৰ বাবে বহিৰাগত বণিয়াক ভূমি হস্তান্তৰ কৰিব খোজা স্থানীয় মাটিৰ দালালসকলক সকীয়াই দিয়ে ৰাভা ছাত্ৰ সন্থাই। উল্লেখ্য যে সোণাপুৰত ইতিমধ্যে চিমেণ্ট কোম্পানীক মাটি গতাই দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেবিনেটত মৰিগাঁৱক একাধিক উপহাৰ

অনুষ্ঠিত হয় অসম চৰকাৰৰ কেবিনেট বৈঠক। পুৱা ১০-৩০ বজাৰ পৰা আৰম্ভ হোৱা কেবিনেট বৈঠক দুপৰীয়া প্ৰায় ডেৰ বজাত সমাপ্ত হোৱাৰ পিছতে মুখ্যমন্ত্ৰীয়ে সংবাদমেল সম্বোধন কৰি কেবিনেট সিদ্ধান্তসমূহ সদৰি কৰে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰা অনুসৰি আজিৰ কেবিনেটে পূৰ্বৰ বহুকেইটা সিদ্ধান্ত কাৰ্যকৰী কৰাৰ লগতে নতুনকৈ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বিশেষকৈ উমৰাংচুৰ কয়লাখাদত সংঘটিত হোৱা ভয়াবহ দুৰ্ঘটনাৰ বিষয়ে কেবিনেটে বিস্তৃত পৰ্যালোচনা কৰাৰ লগতে এতিয়াও সন্ধানহীন হৈ থকা শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান তৰান্বিত কৰাৰ বাবে সিদ্ধান্ত লয়। ইতিমধ্যে উদ্ধাৰ হোৱা চাৰিজন শ্ৰমিকৰ লগতে বৰ্তমানও সন্ধানহীন হৈ থকা প্ৰায় পাঁচগৰাকী শ্ৰমিকৰ পৰিয়ালক ১০ লাখকৈ টকাৰ আৰ্থিক অনুদান প্ৰদানৰো সিদ্ধান্ত লোৱা বুলি মুখ্যমন্ত্ৰীয়ে আজি অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি দুৰ্ঘটনা সংঘটিত হোৱা খাদটোত ১৪ কোটি লিটাৰ পানীৰ মাত্ৰ ৪ কোটি লিটাৰহে পানী নিস্কাষণ কৰিবলৈ সক্ষম হৈছে। অৱশিষ্ট পানী নিষ্কাষণৰ বাবে কমেও ২৫ ৰ পৰা ৬০ দিন সময় লাগিব। যাৰবাবে ভাৰতীয় সেনাৰ সহযোগত এই কাম কৰাৰ নিৰ্দেশ দিয়া হৈছে। উমাৰাংচু ট্ৰেজেডীক লৈ আজি সমগ্ৰ কেবিনেটে উদ্বিগ্নতা প্ৰকাশ কৰাই নহয় সমগ্ৰ ঘটনাটো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ জৰিয়তে তদন্ত কৰাৰ বাবে এখন তদন্ত কমিটি গঠনৰ ঘোষণা কৰাৰ লগতে ফৌজদাৰী তদন্তৰ বাবেও এচ আই টি গঠন কৰি তাৰো পৰ্যবেক্ষণৰ দায়িত্ব ন্যায়মূৰ্তি অনিমা হাজৰিকাক দিয় বুলি জনায়। আনহাতে বৰ্তমানেও সমগ্ৰ অঞ্চলটোত থকা ২২০ টা কয়লাখাদ বন্ধ কৰাৰ বাবে ৰাজ্যৰ ৰাজহ আৰু পুনসংস্থাপন বিভাগক দায়িত্ব অৰ্পণ কৰিছে। তদুপৰি এই কয়লাখাদসমূহ কেতিয়া আৰু কেনেকৈ উৎপত্তি হৈছিল তাৰো পুংখানুপুংখ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। সমগ্ৰ তদন্তৰ বাবে "ইছৰোকে" ধৰি বিদেশী চেটেলাইটৰো সহায় লোৱা হ'ব বুলি উল্লেখ কৰি প্ৰয়োজন সাপেক্ষে টাইম লেগৰ সহায় লোৱা হ'ব বুলি কয়। আজিৰ ৰাজ্যিক কেবিনেটে মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ বাবে ২০০০ কোটি টকাৰ অনুমোদন, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল আঁচনিৰ অধীনত ৭৫ হেজাৰ নিবনুৱা যুবক যুৱতীৰ বাবে অতিৰিক্ত পুজিৰ অনুমোদন, বি টি আৰৰ ৪০১ কোটি টকাৰ অন্তিমটো বাৰ্ষিক অনুদান, ৬০০০ হেজাৰ কোটিৰ এ পি ডি চি এলৰ অৰ্থৰাইজ চেয়াৰ কেপিটেলৰ সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ শুভাৰম্ভ এক এপ্ৰিলত বিহালীৰ পৰা আৰম্ভণি কৰাৰ লগতে পৰৱৰ্তী কেবিনেট নগাঁৱত অনুষ্ঠিত কৰাৰ কথাও আজি অৱগত কৰে মুখ্যমন্ত্ৰীয়ে। কেবিনেটে মৰিগাঁও জিলাৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ বাবে ২৭০ কোটি টকাৰ পেকেজ ঘোষণা কৰে । সেইমৰ্মে মৰিগাঁও নগৰৰ ড্ৰেইন নিৰ্মাণৰ বাবে ৫৫ কোটি, বালিমুখৰ পৰা শিলডুবিলৈ পথ পকীকৰণৰ বাবে ৭০ কোটি, নতুন আবৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি, ইলাৰাম দাসৰ স্মৃতি অত্যাধুনিক প্ৰেক্ষাগৃহৰ বাবে ২০ কোটি, ইলাৰাম দাসৰ জন্মস্থান জালুগুটীত প্ৰকল্প নিৰ্মাণৰ বাবে পাঁচ কোটি, জিলাখনৰ মৰিগাঁও আৰু ঘনকান্ত বৰুৱা মহাবিদ্যালয়, জাগীৰোড, মৈৰাবাৰী, মায়ং, ভূৰাগাঁও মহাবিদ্যালয়ৰ প্ৰত্যেকখনৰ বাবে পাঁচ কোটি, জোনবিলৰ ষ্টেজ নিৰ্মাণৰ বাবে পাঁচ কোটি, মৰিগাঁও ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামৰ পেভেলিয়নৰ বাবে পাঁচ কোটি, কপাহেৰা ষ্টেডিয়াম উন্নয়নৰ বাবে তিনি কোটি, মিকিৰভেটাত অতিথিশালা নিৰ্মাণৰ এক কোটি আৰু তিৱা সাহিত্য সভাৰ ভৱন নিৰ্মাণৰ বাবে এক কোটি টকা আৰু জিলাখনৰ ন খন ঐতিহ্যমণ্ডিত বিদ্যালয়ৰ প্ৰত্যেক খনলৈ আঠ কোটি টকাকৈ অনুদান ঘোষণা কৰে । উল্লেখ্যযে প্ৰথমবাৰৰ বাবে মৰিগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকৰ বাবে মৰিগাঁৱত উপস্থিত হোৱা মুখ্যমন্ত্ৰীৰ লগতে কেবিনেট মন্ত্ৰীসকলক তিৱা স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোৱঁৰ, বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে জিলাবাসীয়ে বিপুল সম্বৰ্দ্ধনা জনায়। অৱশ্যে কেবিনেট বৈঠকৰ পিছতে মুখ্যমন্ত্ৰী আৰু কেবিনেট মন্ত্ৰীৰ দলটো ভুৰাগাঁৱৰ প্ৰস্তাৱিত মৰিগাঁও দৰং সংযোগী ব্ৰহ্মপুত্ৰৰ দলঙৰ স্থান পৰ্যবেক্ষণ আৰু পবিতৰা ভ্ৰমণৰ কথা আছিল যদিও কেৱল জাগীৰোডৰ চেমি কণ্ডাক্টৰৰ আৰু জোনবিলতহে দলটো উপস্থিত থাকে।জানুৱাৰীত অনুষ্ঠিত এক কৰ্মশালাত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে গুৰুত্বপূৰ্ণ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰৰ বিধান পৰিষদ ভৱন চালে

প্ৰথমদিনৰ কাৰ্যসূচী কোকৰাঝাৰৰ বিটিচিত অনুষ্ঠিত হ'ব। কোকৰাঝাৰত প্ৰথমবাৰৰ অনুষ্ঠিত হ'বলগীয়া বাজেট অধিৱেশনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত বিধানসভাৰ এটি উচ্চস্তৰীয় প্ৰতিনিধিৰ দলে বিটিচি বিধান পৰিষদ ভৱন আৰু বিটিচি সচিবালয় পৰিদৰ্শন কৰে। বিধানসভাৰ উচ্চস্তৰীয় প্ৰতিনিধিৰ দলটোক সঙ্গ দিয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, কেবাগৰাকী কাৰ্যবাহী সদস্য আৰু উচ্চপদস্থ বিষয়াসকলে। প্ৰতিনিধিৰ দলটোৱে বিটিচি বিধান পৰিষদ ভৱন আৰু বিটিচি সচিবালয় পৰিদৰ্শন আৰু ব্যৱস্থাপনা পৰ্যবেক্ষণ কৰি সন্তুষ্টি প্ৰকাশ কৰে। ইয়াৰোপৰি প্ৰতিনিধিৰ দলটোৱে উচ্চপদস্ত আৰক্ষী বিষয়াৰ সতে নিৰাপত্তা সন্দৰ্ভত এক বৈঠকত অংশগ্ৰহণ কৰে আৰু কেতবোৰ নিৰ্দেশনা দিয়ে। ইপিনে বিটিচি বিধান পৰিষদ ভৱন আৰু বিটিচি সচিবালয় পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ আগত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে প্ৰথমবাৰৰ বাবে অসম বিধানসভাৰ বাজেট অধিৱেশন কোকৰাঝাৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু সেইমতে আজি সকলো ব্যৱস্থাপনা সন্দৰ্ভত নিজেই বুজ লয়। বিটিচিৰ ব্যৱস্থাপনাৰ ওপৰত সন্তোষ প্ৰকাশ কৰি বিশ্বজিৎ দৈমাৰীয়ে কয় যে ৰাজ্যপালৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ হ'ব যত মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু বিধায়কসকল উপস্থিত থাকিব। বাজেট অধিৱেশনত ষষ্ঠ অনুসূচীৰ উন্নয়ন সন্দৰ্ভত চৰকাৰৰ ভূমিকাক লৈ আলোচনা আৰু বিতৰ্ক অনুষ্ঠিত হ'ব বুলিও সদৰি কৰিছে বিশ্বজিৎ দৈমাৰীয়ে। আনহাতে অসম বিধানসভাৰ বাজেট অধিৱেশন সন্দৰ্ভত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কয় যে ১৭ ফেব্ৰুৱাৰীৰ দিনটো আমাৰ বাবে ঐতিহাসিক দিন বুলি বিবেচিত হ'ব। দিছপুৰৰ পিছত কোকৰাঝাৰত অনুষ্ঠিত হবলগীয়া বাজেট অধিৱেশনে অঞ্চলটোত যে স্থায়ী শান্তিৰ বাতাৱৰণ বৈছে তাকে প্ৰমান কৰে আৰু এই শান্তি আৰু নিৰাপত্তা যাতে স্থায়ীত্ব লাভ কৰে তাকে কামনা কৰি প্ৰমোদ বড়োৱে দীৰ্ঘদিনীয়া ভাতৃঘাতী সংঘৰ্ষ, জাতিগত সংঘাতৰ পিছত এয়া ধনাত্মক দিশ আৰু ইয়ে সমন্বয়ৰ বাৰ্তা কঢ়িয়াই নিব বুলি আশা প্ৰকাশ কৰিছে। তদুপৰি ষষ্ঠ অনুসূচী সন্দৰ্ভত বিধানসভাৰ বাজেট অধিৱেশনত আলোচিত হ'বলগীয়া বিষয়টো আমাৰ বাবে ডাঙৰ কথা বুলি মন্তব্য কৰি ১৭ ফেব্ৰুৱাৰীৰ দিনটোলৈ অধীৰ অপেক্ষাৰত বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। আনহাতে অহা ২৭ জানুৱাৰীত বিটিআৰ চুক্তি দিৱস উদযাপন কৰা হ'ব আৰু বিটিচিৰ প্ৰতি জিলা সদৰত শান্তি সমদল বাহিৰ কৰা হ'ব বুলি মন্তব্য কৰি উক্ত দিনাই বডোফা সাংস্কৃতিক প্ৰকল্পত বিভাগীয় পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব বুলি মন্তব্য কৰে প্ৰমোদ বড়োৱে। আনহাতে বিটিআৰ চুক্তি দিৱসৰ কাৰ্যসূচীৰ অংশস্বৰূপে দ্বিতীয়দিনা অৰ্থাৎ অহা ২৮ জানুৱাৰীত মুখ্যমন্ত্ৰীৰ উপস্থিতিত এক বিশাল জনসভা অনুষ্ঠিত হ'ব আৰু বিটিচিৰ কাৰ্যবাহী সদস্য, নিৰ্বাচিত সদস্যৰ বাবে হৰিণাগুৰীতু নৱনিৰ্মিত আৱাসগৃহ মুকলি কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চিংফৌ ৰজা বিছা নং চিংফৌ আৰু নাই

হেতু বুধবাৰৰ নিশা প্ৰায় ৮:৫০ বজাত নিজা বাসভৱনতে প্ৰায় ৭৫ বছৰ বয়সত দেহাৰসান ঘটে তিনিচুকীয়া জিলাৰ ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত লিডুৰ বিছা গাঁও নিৱাসী তথা অসমৰ লগতে অৰুণাচল প্ৰদেশৰ একাংশ এলেকাত সিঁচৰিত থকা চিংফৌ সমাজৰ মুৰব্বী, উত্তৰ-পূৰ্বাঞ্চলৰ এটি পৰিচিত নাম ৰজা বিছা লাড নং চিংফৌৰ। উল্লেখ্য যে, ওৰেটো জীৱন ৰাজকীয় ভাৱেই পাৰ কৰা চিংফৌ ৰজা বিছা লাড নং চিংফৌৰ বংশধৰ আছিল বৃটিছ শাসন কালৰে পৰাই সুপৰিচিত তিনিচুকীয়া জিলাৰ টিৰাপ মৌজাৰ চিংফৌ জনগোষ্ঠীৰ এটা ৰজাঘৰীয়া পৰিয়ালৰ স্বাধীনতা সংগ্ৰামী বিছা বম চিংফৌ। পৰৱৰ্তী সময়ত বৃটিছে ৰজা বিছা বম চিংফৌৰ পুত্ৰ বিছা জখং চিংফৌক জনজাতীয় বেষ্টনী টিৰাপ মৌজাৰ মৌজাদাৰ তথা ৰাজনৈতিক জমাদাৰ হিচাপে নিযুক্তি দিয়াত চিংফৌ ৰজাৰ পৰম্পৰা অটুট ৰখা পৰিয়ালটোৰ পো-নাতি ৰজা বিছা লাড নং চিংফৌয়ে ১৯৮৫ চনত উত্তৰাধিকাৰী সূত্ৰে টিৰাপ মৌজাৰ মৌজাদাৰ তথা ৰাজনৈতিক জমাদাৰ হিচাপে নিযুক্তি লাভ কৰে। বিগত দুটামান বছৰৰ আগলৈকে মৌজাদাৰ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি থকা বিছা লাড নং চিংফৌয়ে অসমৰ শেষৰজন ৰাজনৈতিক জমাদাৰ হিচাপে ২০১৫ চনত অৱসৰ গ্ৰহণ কৰে। এগৰাকী চিংফৌ জনগোষ্ঠীয় লোক তথা ৰাজকীয় জীৱন-যাপন অতিবাহিত কৰা তথা ৰাজপৰিয়ালৰ সদস্য হোৱাৰ সত্বেও অত্যন্ত সহজ-সৰল ব্যক্তিত্বৰ অধিকাৰীস্বৰূপ এইগৰাকী চিংফৌ ৰজাই টিৰাপ মৌজাত বসবাস কৰি অহা বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষিক আৰু সম্প্ৰদায়ৰ মাজত ঐক্য-সম্প্ৰীতি, ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় কৰি অহাৰ লগতে শান্তি আৰু সাংস্কৃতিক ঐতিহ্যৰ বাতাবৰণ গঢ়ি তুলি সকলোৰে মাজত সন্মান আৰু বিশ্বাসৰ প্ৰতীক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা ৰজা বিছা লাড নং চিংফৌৱে অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা চিংফৌ জনগোষ্ঠীৰ লোকসকলক সংগঠিত কৰি জনগোষ্ঠীটোৰ ৰীতি-নীতি, পৰম্পৰা, ভাষা-সংস্কৃতিৰ উত্তৰণৰ অহোপুৰুষাৰ্থ কৰিছিল। চিংফৌ জনগোষ্ঠীৰ পিতামহস্বৰূপ বিছা লাড নং চিংফৌৱে বিগত প্ৰায় তিনি বছৰ পূৰ্বে ষ্ট্ৰ'কজনিত কাৰণত অসুস্থ হৈ দিন অতিবাহিত কৰিছিল। মৃত্যুৰ সময়ত তেখেতে পত্নী, পাঁচজন পুত্ৰ, ছগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, নাতি-নাতিনীসহ এক বৃহৎ পৰিয়ালৰ লগতে অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যোৱা ৰজা গৰাকীৰ মৃত্যুৰ খবৰে সমগ্ৰ তিনিচুকীয়া জিলাতে শোকৰ ছাঁ পেলাইছে। জীৱনকালত ৰাজ্যৰ অসংখ্য গুণী-জ্ঞানী লোকৰ বহুতো দেশী-বিদেশী লোকৰো প্ৰেৰণাৰ স্ৰোতস্বৰূপ চিংফৌ ৰজা বিছা লাড নং চিংফৌৰ মৃত্যুত স্থানীয় লিডু, মাৰ্ঘেৰিটা, জাগুন অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন, ব্যক্তি আদিয়ে শোক প্ৰকাশ কৰাৰ উপৰিও স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাইও শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক এক শোক বাৰ্তাত চিংফৌ ৰজা বিছা নং চিংফৌৰ দেহাৰসানৰ খবৰে তেখেতক অতিকৈ মৰ্মাহত কৰা বুলি উল্লেখ কৰাৰ লগতে ৰজাগৰাকীৰ প্ৰয়াণ চিংফৌ জনগোষ্ঠীৰ লগতে সমগ্ৰ অসমবাসীৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও চিংফৌ ৰজা তথা বিশিষ্ট সমাজসেৱী বিছা নং চিংফৌৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। ৰজা বিছা নং চিংফৌৱে সমাজৰ কল্যাণ আৰু উত্তৰণৰ হকে সৰল ভূমিকা পালন কৰাৰ উপৰিও প্ৰেৰণাদায়ক কৰ্মৰাজিৰে চিংফৌসকলক সমৃদ্ধ কৰিছিল বুলি উল্লেখ কৰাৰ লগতে তেখেতৰ বিয়োগ চিংফৌ জনগোষ্ঠীৰ লগতে অসমৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে। এতিয়া অহা ২১ জানুৱাৰী বিয়লি ১:০০ বজাত ৰাজ্যিক মৰ্যাদাৰে চিংফৌ ৰজাৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ডব্লিউ ই এফৰ ডুমডুমা ফেক্টৰীলৈ

ডুমডুমাত অৱস্থিত হিন্দুস্তান ইউনিলিভাৰ লিমিটেড (এইচ ইউ এল) ৰ ফেক্টৰীক উন্নত চতুৰ্থ ঔদ্যোগিক বিপ্লৱ (চতুৰ্থ আই আৰ) এণ্ড-টু-এণ্ড মূল্য শৃংখলা লাইটহাউচ হিচাপে মনোনীত কৰিছে। এই সন্মানীয় স্বীকৃতিটো কাৰখানাটোলৈ এ-আই, অট'মেচন, ক্লাউড কম্পিউটিং 4 আই আৰ আৰু স্কেলত ইণ্টাৰনেট অফ থিংচ প্ৰযুক্তি গ্ৰহণৰ ক্ষেত্ৰত দেখুওৱা প্ৰদৰ্শনৰ ফলস্বৰূপে লাভ কৰাৰ কথা জানিব পৰা গৈছে। উক্ত সন্মানীয় স্বীকৃতি লাভ কৰা ডুমডুমা কাৰখানা হৈছে অষ্টম ইউনিলিভাৰ চাইট আৰু দক্ষিণ এচিয়াত অৱস্থিত ইউনিলিভাৰৰ তৃতীয়টো কাৰখানা। ইয়াৰ আগেয়ে ২০২২ চনত এইচ ইউ এলৰ দাপাদা চাইট তথা কাৰখানাটোৱে, ২০২৩ চনত সোনেপত কাৰখানাই উক্ত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। এই এইচ ইউ এল হৈছে আমাৰ দেশৰ একমাত্ৰ এফ এম চি জি কোম্পানী, যাৰ তিনিটা কাৰখানাই এডভান্সড আই আৰ এণ্ড-টু-এণ্ড মূল্য শৃংখলা লাইটহাউচ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এইচ ইউ এলৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু পৰিচালনা সঞ্চালক ৰোহিত জাৱাই এই সন্দৰ্ভত কয় এনেদৰে, " ডুমডুমা চাইটটোৱে এই সন্মানীয় স্বীকৃতি লাভ কৰাৰ বাবে আমি গৌৰৱাণ্বিত। উন্নত প্ৰযুক্তি একত্ৰিত কৰি আমি আমাৰ কাৰ্যকলাপত বিপ্লৱ অনিছোঁ আৰু লগতে উৎপাদনশীলতা তথা সামগ্ৰীৰ মান যথেষ্ট বৃদ্ধি কৰিছোঁ। এনে পদক্ষেপবোৰ কেৱল আমাৰ ব্যৱসায়ৰ বাবে লাভজনকেই নহয়, লগতে উন্নত ভৱিষ্যত গঢ়ি তোলাৰ দিশতো গুৰুত্বপূৰ্ণ। " আনহাতে, ৱৰ্ল্ড ইকনমিক ফ'ৰামৰ উন্নত উৎপাদন আৰু যোগান কেন্দ্ৰৰ মূৰব্বী কিভা অলগুডে কয়, " আমাৰ গ্লো'বেল লাইটহাউচ নেটৱৰ্কত ডিজিটেল প্ৰযুক্তিয়ে উৎপাদন পৰিস্থিতিতন্ত্ৰত বিপ্লৱ আনিছে। এ আই- চালিত নিয়ন্ত্ৰণ টাৱাৰৰ পৰা শূন্য-কোড ৱৰ্কফ্লোলৈকে, লাইটহাউচ বহনক্ষম উদ্ভাৱনৰ উদাহৰণ দিয়ে। সমগ্ৰ পৰিস্থিতিতন্ত্ৰত পৰিৱৰ্তনশীল পৰিৱৰ্তন ৰখাৰ বাবে লাখ লাখ লোকে মান নিৰ্ধাৰণ কৰিব পাৰে। " স্মতব্য যে, হিন্দুস্তান ইউনিলিভাৰ লিমিটেড হৈছে ভাৰতৰ সৰ্ববৃহৎ ফাষ্ট-মুভিং কনজিউমাৰ সামগ্ৰী কোম্পানী যাৰ দ্বাৰা নিৰ্মিত সামগ্ৰীবোৰে দেশৰ দহটা পৰিয়ালৰ ভিতৰত নটা পৰিয়ালৰ দৈনন্দিন জীৱনক প্ৰভাৱাণ্বিত কৰে। প্ৰতিদিনে এক উন্নত ভৱিষ্যত সৃষ্টিৰ কামত নিয়োজিত এইচ ইউ এলৰ এনে সন্মানীয় স্বীকৃতি সঁচাই গৌৰৱৰ বিষয়। এইচ ইউ এলৰ ডুমডুমা ফেক্টৰীৰ এনে স্বীকৃতিয়ে ডুমডুমাবাসীক গৌৰৱাণ্বিত আৰু আনন্দিত কৰি তুলিছে। দেশৰ আৰ্থ-সামাজিক ভেঁটি টনকিয়াল কৰা, কৰ্মসংস্থাপন সৃষ্টি কৰাৰ লগতে দেশৰ বৰ্ধিত নিবনুৱা সমস্যাৰ ৰোধতো সহায়কৰ ভূমিকা পালন কৰি অহা দেশৰ ঔদ্যোগিক বিপ্লৱৰ অন্যতম বাটকটীয়া এইচ ইউ এলৰ এনে জয়যাত্ৰা আগলৈও এনেদৰে অব্যাহত থাকক, তাকেই সকলোৱে কামনা কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গঠন হ'ব অষ্টম দৰমহা আয়োগ!

বৃহস্পতিবাৰে কেন্দ্ৰীয় কেবিনেটে এই আয়োগ গঠনত অনুমোদন জনোৱাৰ লগতে আনুষংগিক সমিতি গঠন কৰে। উল্লেখযোগ্য যে ২০২৫ চনৰ ৩১ ডিচেম্বৰত অন্ত পৰিব সপ্তম পে' কমিছনৰ কাৰ্যকাল। ইয়াৰ পিছতে আগন্তুক বৰ্ষ অৰ্থাৎ ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ব অষ্টম পে' কমিছন। এই কমিছনে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰমহাৰ গাঁথনি পুনৰীক্ষণ কৰিব। এটা সৰ্বভাৰতীয় সংবাদ মাধ্যমে দাবী কৰা মতে, 'ফিটমেণ্ট ফেক্টৰ' ২.৫৭ৰ পৰা ২.৮৬লৈ বৃদ্ধি কৰিব পৰা যাব। ফলত কৰ্মচাৰীৰ মৌলিক দৰমহা এখোজ বৃদ্ধি পাব। উদাহৰণস্বৰূপে এজন কৰ্মচাৰীৰ বৰ্তমানৰ মৌলিক দৰমহা যদি ১৮ হাজাৰ টকা হয় তেন্তে এই দৰমহা ৫১,৪৮০ টকালৈ বৃদ্ধি পাব। ইফালে কেন্দ্ৰীয় চৰকাৰে অষ্টম পে' কমিছন গঠন কৰাৰ পিছতে চৰকাৰী কৰ্মচাৰীসকলৰ মাজত দেখা গৈছে ব্যাপক উছাহ। এই পে' কমিছন গঠনৰ বিষয়ে চলি থকা জল্পনা-কল্পনা এতিয়া বাস্তৱত পৰিণত হোৱাৰ লগে লগে কৰ্মচাৰীসকল উৎফুল্লিত হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইলন মাস্কক লৈ বাইডেনৰ আংশকা

ভৱিষ্যতক লৈ শংকা। নিজৰ বিদায়ী ভাষণত বাইডেনে কয় যে বৰ্তমান আমেৰিকাত এটা বিপজ্জনক ধাৰা দেখা গৈছে- অলিগাৰ্চি, য'ত ক্ষমতা কুক্ষিগত হৈছে কেইজনমান অতি ধনী ব্যক্তিৰ হাতত। এই পৰিস্থিতিয়ে আমেৰিকাৰ গণতন্ত্ৰ আৰু মৌলিক অধিকাৰ বিপন্ন কৰিব পাৰে বুলিও আশংকা প্ৰকাশ কৰে বাইডেনে। বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে নিজৰ ভাষণত কয়, "আমেৰিকাত এক অলিগাৰ্চি গঠন হৈছে। অতি ধনী আৰু শক্তিশালী লোকৰ এই অলিগাৰ্চিয়ে আমাৰ দেশৰ গণতন্ত্ৰ আৰু মৌলিক অধিকাৰ বিপন্ন কৰি তুলিছে।" তেওঁ লগতে কয় যে এই সময়ত আমেৰিকানসকলে অধিক যুঁজ দিয়াৰ প্ৰয়োজন আছে। বাইডেনে তেওঁৰ অন্তিম ভাষণত ট্ৰাম্প প্ৰশাসনৰ সময়ত ট্ৰাম্পক সমৰ্থন কৰি গণতন্ত্ৰক প্ৰভাৱিত কৰা একাংশ ব্যৱসায়ীক বিশেষভাৱে আক্ৰমণ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে, জো বাইডেনে তেওঁৰ ভাষণৰ সময়ত নাম উল্লেখ নকৰিলেও ইলন মাস্কক লক্ষ্য কৰি লোৱা বুলি দাবী কৰিছে অনেকে। মাস্কে আৰম্ভণিৰে পৰাই ট্ৰাম্পৰ সমৰ্থনত প্ৰচাৰ চলাইছিল আৰু বহু ধনো ব্যয় কৰিছিল। ট্ৰাম্পৰ নিৰ্বাচনী জয়ৰ পিছত মাস্কক এটা গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হৈছে- চৰকাৰী নীতি সৃষ্টি কৰা। এই প্ৰভাৱৰ বাবেই বাইডেনে ৰাজনৈতিক ক্ষমতা দুই এজন অতি ধনী ব্যক্তিৰ হাতলৈ স্থানান্তৰিত হোৱাত উদ্বেগ প্ৰকাশ কৰে। ইয়াৰ উপৰিও বাইডেনে তেওঁৰ ভাষণত শেহতীয়াকৈ মেটা (ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটছএপ) কৰ্তৃপক্ষই তেওঁলোকৰ তথ্য পৰীক্ষাৰ কাম বন্ধ কৰাৰ সিদ্ধান্তক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয়, "সত্যক ক্ষমতা আৰু লাভৰ স্বাৰ্থত মিছা কথাৰে দমন কৰা হৈছে।" বাইডেনৰ মতে এই পৰিস্থিতিয়ে নাগৰিকক ভুল তথ্য প্ৰদান কৰি গণতন্ত্ৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এনে পৰিস্থিতিত বিদায়ী ৰাষ্ট্ৰপতি জো বাইডেনে আমেৰিকাৰ ৰাজনৈতিক আৰু সামাজিক ভৱিষ্যতক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰা কাৰ্য্যই ব্যাপক চৰ্চা লাভ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত অবৈধ খননৰ কথা

কণিকা হোজাইৰ বিৰুদ্ধে এতিয়াও অসম আৰক্ষীয়ে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক নটৰাজন আনন্দৰ অনুজ্ঞাপত্ৰ লৈ উমৰাংছুত ৰেট হোল মাইনিং চলাই আছিল বিজেপি নেতা দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইয়ে। কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে এই ঘটনাৰ চিবিআই তদন্ত দাবী কৰিছিল যদিও আজি অসম চৰকাৰৰ কেবিনেটে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাক লৈ এখন তদন্ত কমিটি গঠন কৰি দিয়ে। এই তদন্ত সমিতিয়ে এছঅ'পি প্ৰস্তুতৰ দ্বাৰা ৰেট হোল মাইনিং সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিব। অৰ্থাৎ এছঅ'পি নোহোৱালৈকে ৰেট হোল মাইনিং চলি থাকিব আৰু কয়লাৰ ছিণ্ডিকেটৰ জৰিয়তে অসমৰ সম্পদ লুণ্ঠন প্ৰক্ৰিয়া অব্যাহত থাকিব। ঘটনাৰ ১০ দিনৰ পিছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে আজি মৰিগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকত তদন্ত সমিতি গঠন কৰাৰ পৰাই অনুমান কৰিব পাৰি যে ছিণ্ডিকেটৰ লগত জড়িত মূল অভিযুক্তসকলে সুৰক্ষিত হ'বৰ বাবে চৰকাৰে ইতিমধ্যে সময়-সুবিধা প্ৰদান কৰিলে। ৰাইজক দেখুৱাবলৈ সন্ধানহীন ৫ জন আৰু ইতিমধ্যে মৃতদেহ উদ্ধাৰ হোৱা ৪ জন শ্ৰমিকৰ নিকট আত্মীয়লৈ ১০ লাখকৈ টকা অনুদান হিচাপে দিবলৈ সিদ্ধান্ত লৈছে কেবিনেটে। উল্লেখ্য যে, ২০২১ চনতে ৰেট হোল আৰু অবৈধ কয়লা খনিৰ খনন বন্ধ কৰিবলৈ বিপি কটকীৰ ন্যায়িক তদন্ত আয়োগে ৰাজ্য চৰকাৰৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰিছিল। সেই সময়তে ৰেট হোল মাইনিং বন্ধ হোৱা হ'লে ৯জনকৈ শ্ৰমিকৰ অকাল মৃত্যু নহ'লহেতেন। একাংশ বিজেপি নেতা আৰু মন্ত্ৰীৰ নেতৃত্বতে উমৰাংছুকে ধৰি অসমৰ বিভিন্ন স্থানত ৰেট হোল মাইনিঙৰ জৰিয়তে অবৈধভাৱে কয়লা আহৰণৰ প্ৰক্ৰিয়া চলি আছে। লিডু, মাৰ্ঘেৰিটাতো অব্যাহত আছে এইধৰণৰ কয়লা খননৰ ছিণ্ডিকেট ব্যৱস্থা। ছিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰি ন্যায়িক তদন্ত সমিতি গঠন কৰি এই সমগ্ৰ কেলেংকাৰীটো গাপ দিব বিচাৰিছে। ইফালে, মৰিগাঁৱত অনুষ্ঠিত কেবিনেটৰ অন্তত অসমত অবৈধ ৰেট হোল মাইনিং যে অব্যাহত আছিল সেই কথাক মান্যতা প্ৰদান কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি ৰেট হোল মাইনিং বন্ধ কৰাৰ নিৰ্দেশ প্ৰদান কৰে। এছঅ'পি যোগে ৰাজ্যত ৰেট হোল মাইনিং খননত সম্পূৰ্ণ ৰূপে নিষেধজ্ঞা আৰোপক লৈ এছঅ'পি প্ৰস্তুত কৰাৰ সিদ্ধান্ত লয় আজিৰ কেবিনেটে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৰাংছুত সংঘটিত অঘটনৰ বিষয়ে আজিৰ কেবিনেটত আলোচনা কৰা হয়। বৰ্তমান পৰিৱেশক লৈ যিসকল বিষয়া ফিল্ডত কৰ্মৰত আছিল তেওঁলোকৰ পৰা এটা ৰিপৰ্ট লোৱা হ'ব। যিটো খনিত দুৰ্ঘটনাটো হৈছে তাত ১৪ হাজাৰ কোটি লিটাৰ পানী জমা হৈ আছে। ইতিমধ্যে আমি ৪ কোটি লিটাৰ পানী উলিয়াবলৈ সক্ষম হৈছো। ১১ কোটি লিটাৰ এতিয়াও জমা হৈছে। কেবিনেটে উদ্ধাৰ অভিযানত নিয়োজিত বিষয়াক সুধিছিল যে সম্পূৰ্ণকৈ পানী উলিয়াবলৈ কিমান দিন লাগিব। তেওঁলোকে কয় যে ২৫-৬০ দিন পৰ্যন্ত লাগিব। ডি-ৱাটাৰিং কৰি যাবলৈ আৰু ভাৰতীয় সেনা বাহিনীক উদ্ধাৰ অভিযানত ৰাখিবলৈ কেবিনেটে অনুমোদন জনায়। আমি চাৰিটা মৃতদেহ উদ্ধাৰ কৰিছো। ৫টা মৃতদেহ থকাৰ সন্দেহ কৰা হৈছে। স্বাভাৱিকতে ১০ দিন পাৰ হৈ যোৱাত যিসকল লোক বৰ্তমানেও খনিত আৱদ্ধ তেওঁলোক জীয়াই থকাৰ সম্ভাৱনা যথেষ্ট ক্ষীণ বুলি আমি ক'ব লাগিব। কেবিনেটে আটাইকেইটা পৰিয়াললৈ ১০ লাখ টকাকৈ আৰ্থিক সাহায্যৰ কথা ঘোষণা কৰিছে। শৰীৰ উদ্ধাৰ হোৱা আৰু নোহোৱা সকলো পৰিয়ালে ১০ লাখকৈ টকা আৰ্থিক সাহায্য লাভ কৰিব। গোটেই ঘটনাৰ ন্যায়িক তদন্তৰ ঘোষণা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে, বহুতে কৈছে ৰেট হোল মাইনিং কেনেকৈ হ'ল। আমি যেতিয়া তাত পৰীক্ষা কৰিলো তেতিয়া দেখা গ'ল যে সম্পূৰ্ণ এলেকাটোত ২২০টা কয়লাৰ খাদ আছে। ২২০টা খাদ কেনেকৈ হ'ল সেয়া আমি ছেটেলাইটেৰে চাম। ২০১৪, ২০১৮, ২০২৫ চনত কি কৰা হৈছিল সেয়া ছেটেলাইটেৰে পিছুৱাই গৈ চোৱা হ'ব। ছেটেইলাইটৰ তথ্য সংগ্ৰহ কৰিবলৈ ৰাজহ আৰু পুনৰ সংস্থাপন বিভাগক কোৱা হৈছে। চেণ্ট্ৰেল মাইন প্লেনিং এণ্ড ডিজাইন ইনষ্টিটিউট লিমিটেৰ সহযোগত এই খাদসমূহ কেনেকৈ পুতি পেলাব পাৰো তাৰ বাবে সহায় লোৱা হ'ব। ২২০টা গাত পুতি পেলোৱা সহজ নহয়। খাদত পৰি জীৱ-জন্তুৱে প্ৰাণ হেৰুৱায়।

# দৰঙত চোৰাং গো-মাংস বিক্ৰী কৰা কচাইক গ্ৰেপ্তাৰ

**ই-সংবাদ, খাৰুপেটীয়া, ১৬ জানুৱাৰীঃ** দৰং জিলাৰ আম্বাছ চ'কত বুধবাৰে চোৰাং গো-মাংস বিক্ৰী কৰা মানিক আলী ওৰফে পুৰা নামৰ এটা কচাইক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ধৃত কচাইটোক কালি জে'ললৈ প্ৰেৰণ কৰে। এই ঘটনাত মহলদাৰ জড়িত থকাৰ বিস্ফোৰক অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, মানিক আলীয়ে দীৰ্ঘদিন ধৰি বিক্ৰী কৰি আহিছিল চোৰাং গো-মাংস। মঙলবাৰে নিশা চাৰিটা চোৰাং গৰুৰ সৈতে পানবাৰী আৰক্ষীয়ে আটক কৰে মানিক আলীক। কচাই মানিকৰ সৈতে চোৰাং গৰুসহ পানবাৰী চকীৰ আৰক্ষীয়ে চমজাই দিয়ে দলগাঁও আৰক্ষীক। দলগাঁও আৰক্ষীয়ে মানিক আলী ওৰফে পুৰাক দীৰ্ঘ সময় জেৰা চলাই ০১/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি বুধবাৰে জে'ললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, চোৰাং গৰু কেইটাৰ অবৈধ ৰচিদ সংগ্ৰহ কৰে আম্বাছ চক বজাৰৰ মহলদাৰৰ পৰা। গৰু চুৰি চক্ৰৰ লগত মহলদাৰ হাতেম আলী, আমিনুল হক আৰু আলেপ আলী জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ মতে, বজাৰখনৰ মহলদাৰৰ ছত্ৰছায়াত দীৰ্ঘদিন ধৰি চলি আহিছে মানিক আলীৰ চোৰাং গো-মাংসৰ বেহা। জানিব পৰা মতে, সেইদিনা ২৭২৪ নম্বৰ পৰ্যন্ত ৰচিদৰহে বিক্ৰী হৈছিল গৰুৰ। কিন্তু মানিক আলীৰ পৰা উদ্ধাৰ হয় তিনিটা গৰু বিক্ৰী দেখুওৱা ২৭২৫ নম্বৰৰ ৰচিদ। ঘটনাক লৈ তদন্ত অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাহোৱালত যুৱতীক ধৰ্ষণ কৰি হত্যা

গৈছে ডিব্ৰুগড় জিলাৰ লাহোৱালক। প্ৰেমিকে প্ৰেমিকাক প্ৰথমে ধৰ্ষণ তাৰ পিছতে হত্যা কৰি মৃতদেহ নৈত পেলাই দিয়াৰ ঘটনাই গোহৰলৈ অহাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৯ জানুৱাৰীত ঘৰৰ পৰা সন্ধানহীন হৈ থকা আদিবাসী যুৱতীৰ মৃতদেহ ১৩ জানুৱাৰীত উলংগ অৱস্থাত চেঁচা নৈত উদ্ধাৰ হোৱাৰ পিছতে হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছিল। যুৱতীগৰাকী সন্ধানহীন হোৱাৰ পিছতে যুৱতীৰ প্ৰেমিক বৰুণ মুড়াই পলায়ন কৰিছিল। প্ৰেমিক বৰুণ মুড়াই প্ৰেমিকাক হত্যা কৰি নৈত পেলাই দিয়াৰ অভিযোগ উত্থাপন হোৱাৰ পিছৰে পৰা বৰুণ মুড়াই পলায়ন কৰি আছিল। আজি লাহোৱালৰ বকুল মাজগাঁও চাপৰি লাইনত বৰুণ মুড়াক গ্ৰেপ্তাৰ কৰে লাহোৱাল আৰক্ষীয়ে। আৰক্ষীয়ে অভিযান চলাই আজি বৰুণ মুড়াক গ্ৰেপ্তাৰ কৰাত ৰহস্যৰ অৱসান ঘটে। প্ৰেমিকাক প্ৰথমে ধৰ্ষণ তাৰ পিছতে হত্যা কৰিছিল বৰুণ মুড়াই। জানিব পৰা মতে, ৯ জানুৱাৰীৰ পৰা সন্ধানহীন হৈ আছিল চভা মাঝি নামৰ যুৱতীগৰাকী। ১৩ জানুৱাৰীত ৰাইজে নৈত ওপঙি থকা অৱস্থাত চভা মাঝিৰ মৃতদেহ উদ্ধাৰ কৰিছিল। শৰীৰত আঘাতৰ চিন স্পষ্ট আছিল। পৰিয়ালে চভা মাঝিৰ প্ৰেমিকে অপহৰণ আৰু হত্যা কৰাৰ অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত বৰুণৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰে বৰুণ মুড়াক। গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড় সদৰ থানাত জেৰা কৰাত হত্যাৰ কথা স্বীকাৰ কৰা বুলি জানিব পাৰ গৈছে। আজি লাহোৱাল আৰক্ষী থানা ঘেৰাও কৰিছিল কেইবা শতাধিক লোকে। শ শ চাহ বাগিচা কৰ্মীয়ে ২২ বছৰীয়া চভা মাঝিক ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ দ্ৰুত তদন্তৰ দাবীত প্ৰতিবাদ জনাইছিল। তাৰ পিছতে আৰক্ষীয়ে বৰুণক গ্ৰেপ্তাৰ কৰে। সন্ধিয়া চভা মাঝিৰ আত্মাৰ সদ্গতি আৰু দোষীক উচিত শাস্তি প্ৰদানৰ দাবীত কেইবাটাও সংগঠনে লাহোৱালত প্ৰতিবাদী সমদল উলিয়াই। হত্যাকাৰীক উচিত শাস্তি প্ৰদানৰ দাবীত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডিব্ৰুগড় শাখা, আটুৰাৰ ডিব্ৰুগড় শাখা, সদৌ অসম চাওঁতাল মাঝি মণ্ডল ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত মম জ্বলাই সমদল উলিয়াই। চভা মাঝি গাঁৱৰ পৰা লাহোৱালৰ কেইবাটাও ৰাজপথত সমদল উলিয়াই বৰুণ মুড়াক ফাঁচি দিয়াৰ দাবী জনায়। চভা মাঝি অমৰ হওঁক, চভা মাঝি হত্যাকাৰী গ্ৰেপ্তাৰ হ'বই লাগিব, দোষীক শাস্তি প্ৰদান কৰিবই লাগিব, অসম চৰকাৰ হায়ঃ হায়ঃ, গৃহ বিভাগ হুঁচিয়াৰ আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক লখিন্দৰ কুৰ্মী, হেমন্ত কুজুৰ, আটছাৰ ডিব্ৰুগড় শাখাৰ সভাপতি সুনীল পাত্ৰৰ উপস্থিত থাকে। ঘটনাটোৱে সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিলীপ শইকীয়া সভাপতি

কৰা হৈছে। আজি মনোনয়ন দাখিলৰ দিন আছিল। আজিৰ দিনটোত মনোনয়ন দাখিল কৰিছে কেৱল দিলীপ শইকীয়াই। দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা পুৰণি বিজেপি নেতা দিলীপ শইকীয়াৰ বাহিৰে অইন কোনো নেতাই সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰা নাই। যাৰ ফলত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হয় শইকীয়া। নামনি অসমৰ বিজেপিৰ পুৰণি নেতা দিলীপ শইকীয়াই ছাত্ৰ অৱস্থাৰ পৰাই আৰএছএছৰ আদৰ্শৰ সৈতে জড়িত আছিল। আশীৰ দশকৰ পৰাই চাইকেল চলাই বিজেপিৰ হৈ সভা-সমিতি কৰিছিল। যিটো সময়ত নলবাৰী জিলাত বিজেপিৰ সংগঠন নাছিল সেই সময়ত দিলীপ শইকীয়াই প্ৰথমবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। ২০১১ চনত নলবাৰী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি ১২ হাজাৰ ভোট লাভ কৰিছিল। তাৰ পিছতে ২০১৪ চন আৰু ২০১৯ চনত দৰং-ওদালগুৰি সমষ্টিৰ পৰা দুবাৰকৈ সাংসদ নিৰ্বাচিত হয়। সেইগৰাকী দিলীপ শইকীয়াই আজি ৰাজ্যিক বিজেপিক নেতৃত্ব দিবলৈ ওলাইছে। আজি নিশা সাংগঠনিক নিৰ্বাচনৰ বাবে ৰাষ্ট্ৰীয় সমিতিয়ে নিয়োগ কৰা পৰ্যবেক্ষক গজেন্দ্ৰ সিং শ্বেখাৱটৰ হাতত মনোনয়ন দাখিল কৰে শইকীয়াই। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, গজেন্দ্ৰ সিং শ্বেখাৱট, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সুনিল বানচাল, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী আৰু ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ উপস্থিতিত শইকীয়াই মনোনয়ন পত্ৰ দাখিল কৰে। আজি দলৰ সাংগঠনিক নিৰ্বাচনৰ বাবে অসম উপস্থিত হয় বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সুনীল বাঞ্চাল, উত্তৰ পূৰ্বাঞ্চলৰ প্ৰভাৰী ডঃ সম্বিত পাত্ৰ। দলৰ ৰাষ্ট্ৰীয় সমিতিয়ে নিয়োগ কৰা পৰ্যবেক্ষক গজেন্দ্ৰ সিং শ্বেখাৱাট অসমত উপস্থিত হোৱাৰ পিছতে নিৰ্বাচনৰ বাবে প্ৰস্তুতি চলাইছিল যদিও সকলো নেতাৰ সৈতে আলোচনাত মিলিত হৈ শইকীয়াক সভাপতি পতাৰ সিদ্ধান্ত লয়। নতুন সভাপতি নিৰ্বাচনক লৈ মন্তব্য কৰি মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাই কয় যে নিশা ১১ বজাত নতুন সভাপতিৰ নাম ঘোষণা কৰা হ'ব। ৰাষ্ট্ৰীয় পৰিষদৰ নেতাৰ নামো ঘোষণা কৰা হ'ব। কাইলৈ দিনৰ ১১ বজাত নতুন ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই দায়িত্ব গ্ৰহণ কৰিব। আজি মোৰ আৰু সভাপতিৰ উপস্থিতিত মনোনয়ন দাখিল কৰিছে। কাইলৈ তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে সভাপতি হ'ব। দিলীপ শইকীয়াৰ নিচিনা এজন অভিজ্ঞ ৰাজনীতিকৰ তত্ত্বাৱধানত আমি ২৬ৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। বিদায়ী সভাপতি ভবেশ কলিতাক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এগৰাকী নিষ্ঠাবান আৰু সমৰ্পিত কাৰ্যকৰ্তা বুলি অভিহিত কৰে। ভবেশ কলিতাৰ কথাও আমি চিন্তা কৰিম বুলি কৈ মন্ত্ৰীসভাত অন্তৰ্ভুক্তিৰ ইংগিত দিয়ে। সামাজিক মাধ্যম যোগে হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ সন্মানীয় সভাপতি হিচাপে ভবেশ কলিতা ডাঙৰীয়াৰ অনবদ্য অৱদানক শব্দৰ দ্বাৰা পূৰ্ণৰূপে ব্যক্ত কৰা অসম্ভৱ। তেখেতৰ নেতৃত্বত আমাৰ দলে সংসদীয় নিৰ্বাচনত অসমৰ পৰা সৰ্বাধিক আসন লাভ কৰাৰ গৌৰৱ অৰ্জন কৰিছে। ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই বিধান সভাত ৭৪ৰ পৰা ৮৪ আসনলৈ বৃদ্ধি ঘটাইছে। একাধিক উপ-নিৰ্বাচনত ঐতিহাসিক জয়লাভ কৰিছে আৰু ২০২৪ চনৰ সদস্যতা অভিযানত ৬০ লাখৰ লক্ষ্য অতিক্ৰম কৰি এক অভূতপূৰ্ব সফলতা লাভ কৰিছে। তেখেত এগৰাকী নিষ্ঠাবান আৰু সমৰ্পিত কাৰ্যকৰ্তা। সংগঠনৰ উত্থানত বিগত চাৰে তিনি বছৰত সফল নেতৃত্বৰে আগবঢ়োৱা সেৱাৰ বাবে তেখেতক আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। উল্লেখ্য যে, সভাপতিগৰাকীয়ে আগন্তুক বিধানসভা নিৰ্বাচন খেলিব নোৱাৰিব বুলি দলে একপ্ৰকাৰ স্পষ্ট কৰি দিয়াৰ কথা সদৰী কৰিছিল মুখ্যমন্ত্ৰীগৰাকীয়ে। এই অনুযায়ী এতিয়া দলৰ দায়িত্ব গ্ৰহণ কৰিব শইকীয়াই।

# আৰম্ভ হ'ল গোভা দেওৰজাৰ জোনবিল মেলা

**ই-সংবাদ, জাগীৰোড, ১৬ জানুৱাৰীঃ** আজিৰে পৰা তিনিদিনীয়াকৈ আৰম্ভ হয় জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ তথা পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ মেলা গোভা দেওৰজাৰ জোনবিল মেলা। পুৱাই গোভা দেওৰজা চাৰিভাই দেওশাল শিৱ মন্দিৰত মাংগলিক পূজা-অৰ্চনাৰ পিছতে শুভাৰম্ভ হয় মেলাৰ। ৰজাৰ বা-বিষয়াই পূজা-অৰ্চনা কৰে দেওশাল শিৱ মন্দিৰত। আজি পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহে মামা-মামীসকল। আজি পুৱা ভৈয়ামৰ লোকসকলৰ লগত কৰে বিনিময়। কিছু সময়ৰ বাবে স্তব্ধ হৈ পৰে মুদ্ৰাৰ প্ৰচলন। লগতে সমূহীয়া মৎস্য চিকাৰ আৰু কুকুৰা যুঁজ সম্পাদন কৰা হয় মেলাথলীত। এনেদৰে লোকাৰণ্য হৈ পৰিছে জোনবিল মেলা। আনহাতে, মেলাথলীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকি ২২ গৰাকীকৈ তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰে। মুকলি সভাত 'জোনবিল' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে ই এম কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ ই এম ডি উফিং মাছলায়ে। তদুপৰি বিশিষ্ট লেখক নাৰায়ণ কুমাৰ ৰাভু কাকতিৰ গ্ৰন্থ 'তিৱা বুৰঞ্জী' উন্মোচন কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজভাট্টা প্ৰদান কৰি জোনবিল মেলাৰ এটা গৃহ নিৰ্মাণৰ বাবে ৫ কোটি টকা ঘোষণা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নলবাৰীত গৌৰৱ গগৈ

আক্ৰমণৰ লক্ষ্য কৰি লৈ অসমত বিজেপিৰ ভয় আৰু দুৰ্নীতিৰ সম্ৰাজ্যৰ আমি শেষ কৰিব বিচাৰিছো বুলি কয় গৌৰৱ গগৈয়ে। গগৈয়ে কয় যে বিজেপিৰ নেতাক দেখিলেই মানুহৰ ভয় লাগে। কংগ্ৰেছক দেখিলে ভয় নাইকিয়া হয়। মানুহৰ মুখত হাঁহি ওলাই আহে। বিজেপিয়ে ভয় খাই এতিয়া কংগ্ৰেছক বাধা প্ৰদান কৰিব বিচাৰিছে। মই নলবাৰীত ধৰ্মীয় অনুষ্ঠানলৈ যাব খুজিছো, তাতো বাধা দিব বিচাৰিছে। মই মুখ্যমন্ত্ৰী আৰু বিজেপি দলৰ নেতাক সুধিছো ইমান ভয় কিয়? ভোটাৰ তালিকাত স্বামীৰ বেলেগ পঞ্চায়তত, পত্নীৰ বেলেগ পঞ্চায়তত নাম। এনেকৈ দেশ চলাবলৈ আহিছে। বিজেপিৰ নেতাই কেৱল নিজৰ উন্নয়ন কৰা বুলি দাবী কৰি গগৈয়ে কয় ব্যক্তিগত ধনৰ বাবে নৰম স্থানৰ ধনী মুখ্যমন্ত্ৰী। দেশৰ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত তেওঁ আছে। যদি মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ ধন চোৱা যায় তেন্তে দেশৰ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত এক নম্বৰত থাকিব। মুখ্যমন্ত্ৰীয়ে ধন লুকাই ৰাখিছে। মানুহ উন্নয়নৰ পৰা বঞ্চিত। কিন্তু বিজেপি নেতাই মাটি কিনি ফুৰিছে। নলবাৰীতো একেই। স্থানীয় প্ৰতিনিধি মন্ত্ৰীয়ে বিভাগ চলাব পৰা নাই। ঘৰখন বহল কৰি গৈছে। ব্যক্তিগত সম্পত্তি বঢ়াই লৈছে। কিন্তু জলমিত্ৰক গুৰুত্ব দিয়া নাই। আজি নলবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত বাঁহজানীৰ মিলন বজাৰত অসম প্ৰদেশ কংগ্ৰেছৰ এখন সভা অনুষ্ঠিত হয়। সভাত মুখ্য বক্তা হিচাপে অংশ গ্ৰহণ কৰে গগৈয়ে। ভাষণত সাংসদগৰাকীয়ে আৰু কয় যে এতিয়া সময় আহিছে অসমৰ বাবে চিন্তা কৰাৰ। নিজৰ বাবে নহয়, নিজৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ বাবে, নিজৰ গাঁও অঞ্চলৰ বাবে, নিজৰ ভাষা সংস্কৃতিৰ বাবে চিন্তা কৰাৰ সময়। আজিৰ তাৰিখত ৰাজনৈতিক পৰিৱেশ ইমান ভাল হৈ থকা নাই। হিংসাৰ ৰাজনীতি, ঘৃণাৰ ৰাজনীতি চলি আছে। লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গগৈয়ে শাসকীয় বিজেপি দলক তীব্ৰ সমালোচনা কৰি আৰু কয় যে আমি নিজৰ চিন্তা এৰি সমাজৰ বাবে চিন্তা কৰিব লাগিব। খেতিয়ক, শিল্পী -শিপিনীসকলৰ বাবে চিন্তা কৰিব লাগিব। আজি ৰাজনীতি হৈ গৈছে সমাজৰ বিকাশৰ নহয়, নিজৰ বিকাশৰ, ধন-সম্পত্তি গঢ়াৰ মাধ্যম। চাৰিওফালে অবৈধ চিণ্ডিকেট বৃদ্ধি পাইছে। তাৰ এটাই কাৰণ তেওঁলোকক ৰাজনৈতিকভাৱে আশীৰ্বাদ দিয়া হৈছে। মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰি সাংসদ গৌৰৱ গগৈয়ে ভাষণত আৰু কয় যে মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি দেশ-বিদেশলৈ গৈছে কিন্তু উমৰাংছুৰলৈ ভালকৈ যাবলৈ সক্ষম হোৱা নাই। অসমখন দেশৰ ভিতৰত পাঁচখন শীৰ্ষ ৰাজ্যলৈ লৈ যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছিল। কিন্তু আজি শিক্ষাৰ ক্ষেত্ৰত স্বাস্থ্যৰ ক্ষেত্ৰত, উচ্চ শিক্ষা আদি ক্ষেত্ৰত পিছ পৰি থাকিব লগা হ'ল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি কয় যে হয়, আমি এটা ক্ষেত্ৰত আগবাঢ়িছো। ভাৰতৰ ভিতৰত যিমানবোৰ ধনী মুখ্যমন্ত্ৰী আছে তাত হিমন্ত বিশ্ব শৰ্মাই নিজৰ স্থান পাইছে। যেতিয়া তেওঁ মুখ্যমন্ত্ৰী হ'ল তেতিয়াৰ পৰা তেওঁৰ ধন-সম্পত্তি বৃদ্ধি পাইছে। দুপৰীয়া ১২ বজাত কেইবাশ কংগ্ৰেছ সমৰ্থক-ৰাইজ উপস্থিত থকা সভাত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাইয়ো ভাষণ প্ৰদান কৰে। সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মনোজ কলিতা, প্ৰদ্যুৎ ভুঞা, উপ-সভাপতি আৰ পি শৰ্মা, সম্পাদকদ্বয় নুৰুল ইছলাম, নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰীসহ বহুকেইগৰাকী দলীয় বিষয়ববীয়া, নেতাই অংশগ্ৰহণ কৰে। সভা সমাপ্তিৰ পিছত যোৰহাট লোকসভা সমষ্টিৰ সাংসদগৰাকীয়ে জাহা-চেৰাবাৰীৰ গোপালথানৰ সভা মহোৎসৱৰ এক কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও সন্মিলিত বিৰোধীৰ, কণিকা হোজাইক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী

**ই-সংবাদ, ১৬ জানুৱাৰীঃ** অবৈধ কয়লা খননত জড়িত অসম চৰকাৰ, অসম খনিজ উন্নয়ন নিগম, ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্যমন্ত্ৰী কাৰ্যবাহী দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী কণিকা হোজাইৰ বিৰুদ্ধে আজি অসমৰ বিৰোধী ঐক্য মঞ্চ অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'-এ আজি গণেশগুৰিত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অসম জাতীয় পৰিষদ, ৰাইজৰ দল, বামপন্থীদলসমূহ আৰু অল পাৰ্টি হিলছ লিডাৰ্ছ কনফাৰেন্সৰ নেত-কৰ্মীয়ে আজি গণেশগুৰিস্থিত অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰে। আজি পুৱাৰ ভাগতে বিৰোধী দলসমূহৰ কেইবা শতাধিক নেতা-কৰ্মীয়ে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ গণেশগুৰিত উপস্থিত হয়। অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰি চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। কয়লাখনিত আৱদ্ধ হৈ মৃত্যুমুখত পৰা শ্ৰমিকৰ পৰিয়ালক ন্যায় দিয়া, অবৈধ কয়লাখনি বন্ধ কৰা, অবৈধ কয়লাখনি চলোৱা কণিকা হোজাই তথা আন আন খলনায়কক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা, অবৈধ কয়লাৰ চিণ্ডিকেট চলোৱা বন্ধ কৰা, উমৰাংছুৰ শ্ৰমিকৰ মৃত্যুৰ ঘটনাৰ ন্যায়িক তদন্ত কৰাৰ দাবীত কাৰ্যালয়টো ঘেৰাও কৰি ধৰ্ণা প্ৰদান কৰে। কয়লাৰ চিণ্ডিকেট বন্ধ কৰক, উমৰাংছুৰ অবৈধ কয়লা খননৰ ঘটনাৰ তদন্ত কৰক, কণিকা হোজাইক গ্ৰেপ্তাৰ কৰক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে বিৰোধী দলৰ নেতা-কৰ্মীয়ে। বিৰোধী দলকেইটাৰ কেবাগৰাকী শীৰ্ষ নেতাৰ উপস্থিতিত বিৰোধী দলসমূহেৰ নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰাত অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয়ত আৰক্ষীৰ দল মোতায়েন কৰা হয়। কাৰ্যালয়টোৰ গেট বন্ধ কৰি প্ৰতিবাদ নিয়ন্ত্ৰণ কৰাৰ প্ৰয়াস কৰে আৰক্ষীয়ে। তথাপিও বিৰোধী দলৰ নেতা-কৰ্মীয়ে প্ৰায় দুই ঘণ্টা সময় কাৰ্যালয়টো ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ফলত কাৰ্যালয়টোত দীৰ্ঘ সময়ৰ বাবে বিষয়া-কৰ্মচাৰী আৰু সাধাৰণ লোকৰ আহ-যাহ বন্ধ হৈ পৰে। প্ৰতিবাদকাৰীসকলে কয় যে উমৰাংছুত শাসকীয় দলৰ একাংশ চিণ্ডিকেট মাষ্টাৰৰ নেতাৰ পৃষ্ঠপোষকতাত অবৈধ কয়লাৰ খনন চলি আছে। ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকাতত অবৈধ ৰেট হোল মাইনিং চলি থকাৰ অভিযোগ উত্থাপন কৰে। বিৰোধী দলসমূহৰ নেতাসকলে কয় যে উমৰাংছুৰ ৯ শ্ৰমিক আৱদ্ধ হৈ চাৰিজনৰ মৃতদেহ উদ্ধাৰ হোৱা আৰু ৫ শ্ৰমিক বৰ্তমানেও আৱদ্ধ হৈ থকা কয়লাৰ খনিটোৰ খনন কণিকা হোজাইৰ পৃষ্ঠপোষকতাত চলিছিল। অবৈধ খননৰ অন্তৰালত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং, ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্যমন্ত্ৰী কাৰ্যবাহী দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী কণিকা হোজাই, অসম খনিজ উন্নয়নৰ নিগমৰ পৰিচালন সঞ্চালক আনন্দ নটৰাজন জড়িত। গণেশগুৰিৰ অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰি কাৰ্বি আংলং আৰু ডিমা হাচাওত চলি থকা অবৈধ কয়লাৰ খননৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ আৰু ঘটনাৰ ন্যায়িক তদন্তৰ দাবী জনাইছে। নেতাসকলে আৰু কয় যে ৰাজ্য চৰকাৰ তথা বিজেপিৰ নেতা-কৰ্মী অবৈধ কয়লাৰ খনন আৰু চিণ্ডিকেটত জড়িত। গণেশগুৰিৰ অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰি অবৈধ কয়লা আহৰণ, সৰবৰাহ অব্যাহত আছে। উমৰাংছুৰ ঘটনা 'ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত ট্ৰেজেডী'। আমি ডিমা হাচাওত অবৈধ কয়লা খননৰ বিষয়ত উচ্চ ন্যায়ালয়ৰ তত্বাৱধানত তদন্তৰ দাবী জনাইছো। উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা আৰু পত্নী কণিকা হোজাইক গ্ৰেপ্তাৰ কৰিব লাগিব। দেৱলালক তাৎক্ষণিকভাৱে পদৰ পৰা আঁতৰোৱা হওক। চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা অবৈধ কয়লা খনন কাৰ্যকলাপ ৰোধত ব্যৰ্থ হৈছে। স্থানীয় প্ৰশাসন আৰু আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ বাবে অবৈধ কয়লাৰ খনন চলি আছে। মুখ্যমন্ত্ৰীয়ে অপৰাধীসকলক ৰক্ষণা-বেক্ষণ দিছে। প্ৰতিবাদত অসম সন্মিলিত মৰ্চাৰ সভাপতি অজিত কুমাৰ ভুঞা, সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈ, জিয়াউৰ ৰহমানৰ, চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ, প্ৰাক্তন সাংসদ উৰ্দ্ধৰ বৰ্মণ, ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ৰাছেল হুছেইন, সাধাৰণ সম্পাদক ভাস্কো-দি শইকীয়া, চিপিআইএমএলৰ ৰাজ্যিক সম্পাদক বিবেক দাস, ৰাজ্যিক নেতা পংকজ কুমাৰ দাস, চিপিআইৰ ৰাজ্যিক নেতা তথা প্ৰাক্তন বিধায়ক মুনীন মহন্ত, আসাম হিলছ পাৰ্টি পিপলচ কনফাৰেন্সৰ নেতা বিক্ৰম হান্সে, পিএলপিৰ সভাপতি চৰণ ডেকা উপস্থিত থাকে।

## বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীত অখিল গগৈ

# অসমীয়া জাতি এতিয়াও ভেকুলী বিয়া পতা জাতি হৈয়ে আছে!

**ই-সংবাদ, শিৱসাগৰ, ১৬ জানুৱাৰীঃ** ৭৫ বছৰে শিক্ষাৰ পোহৰ বিলাই সহস্ৰজনক আগুৱাই যোৱাত বাট দেখুওৱা শিৱসাগৰ বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আজি দ্বিতীয় দিনাৰ পুৱাই কেইবা শতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু, বৰেণ্য ব্যক্তিৰ সমাগমেৰে উদুলি মুদুলি পৰিৱেশৰ সৃষ্টি হয়। পৰিৱেশ নিকাকৰণৰ পিছতে মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি ৭৫ খন পতাকা উত্তোলন কৰে। বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা বিধায়ক অখিল গগৈ, অধ্যক্ষ জয়ন্ত মাধৱ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক মুহী চেতিয়া, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত কৃতী শিক্ষক এম মজিদ খানসহ বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিশিষ্ট ব্যক্তিয়ে উত্তোলন কৰে এই ৭৫ খন পতাকা। পতাকা উত্তোলনৰ পিছতে এম আব্দুল মজিদ খানৰ ৰচিত 'অতীত মাধুৰী' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে বিধায়ক অখিল গগৈয়ে। অনুষ্ঠানত অখিল গগৈয়ে কয় যে এখন চৰকাৰী বিদ্যালয়ে মহাৰজত জয়ন্তী উদযাপন কৰিবলৈ পোৱাটো সৌভাগ্যৰ কথা। সাম্প্ৰতিক সময়ত এখনৰ পিছত এখনকৈ চৰকাৰী বিদ্যালয় বন্ধ হ'বলৈ ধৰিছে। এয়া অতি উদ্বেগজনক অসমীয়াৰ বাবে। অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহ একালত ৰাইজে গঢ়িছিল। ৰাইজে সহায়, সহযোগ কৰি গঢ়া বিদ্যালয়সমূহ পিছত চৰকাৰীকৰণ কৰিছিল। কিন্তু কেইবছৰমানৰ পৰা এনে এটা পৰিৱেশ ৰচনা হৈছে যে চৰকাৰী স্কুলবিলাক ক্ৰমান্বয়ে বন্ধ কৰি অনা হৈছে। অসমত ১১ হেজাৰ চৰকাৰী বিদ্যালয় বন্ধ হ'ল। মাতৃ ভাষা মাধ্যমৰ বিদ্যালয় বন্ধ হোৱাটো শুভ লক্ষণ নহয়। ইয়াৰ উপৰি তেওঁ অসমীয়া জাতি এতিয়াও ভেকুলী বিয়া পতা জাতি হৈ আছে আৰু প্ৰফেচনেল হ'ব পৰা নাই বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। কৃষিভূমি থাকিলেও পানী যোগানৰ সুব্যৱস্থা নথকাত তিনিবাৰ খেতি কৰিব নোৱাৰি, বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক আখ্যা দিয়ে গগৈয়ে। গোটেই বছৰটো উৎসৱ পতাত গুৰুত্ব নিদি প্ৰফেচনেল হৈ আগবাঢ়ি যাব লাগিব বুলি ব্যক্ত কৰে তেওঁ। সম্প্ৰতি AI যুগত শিক্ষক সমাজৰো গুৰুত্ব কমি অহা বুলি উদ্বেগ প্ৰকাশ কৰে বিধায়কগৰাকীয়ে। এই বিষয়বিলাকো মহাৰজত জয়ন্তীৰ আলোচনাত ঠাই পালে সমাজৰ বাবে উপকাৰ হ'ব বুলি আশা প্ৰকাশ কৰে অখিল গগৈয়ে। অন্যহাতে, এম আব্দুল মজিদ খানৰ ঘৰ গোৱালপাৰাত যদিও বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৮ বছৰ কাল শিক্ষকতা কৰি অৱসৰ লৈছিল বুলি উল্লেখ কৰি কয় যে সম্প্ৰতি জাতিৰ নামত, ধৰ্মৰ নামত এচামে ঘৃণা বিয়পাই দিছে। আমি আগতে হিন্দু-মুছলমান এইবিলাক বিচাৰ কৰা নাছিলো। কিন্তু এতিয়া বিভেদৰ বীজ অসমীয়া জাতিৰ মাজত সুমুৱাই দিয়া হৈছে। এম আব্দুল মজিদ খানে সুদীৰ্ঘ কাল বেতবাৰীত শিক্ষকতা কৰিছিল। সেই স্মৃতি সামৰি গ্ৰন্থখন লিখি উলিয়াইছে। স্মৃতি কিমান মধুৰ হ'লে এনে এখন গ্ৰন্থ লিখাটো সম্ভৱ সেয়া কল্পনা কৰক। সেই সময়ত যে আমাৰ সকলোৰে মাজত মিলাপ্ৰীতি আছিল এয়াই প্ৰমাণ। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে আৰু কয় যে বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় জিলাখনৰ এখন নামজ্বলা বিদ্যালয়। কেৱল আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰতে নহয়, বহু ৰাজ্যিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ সৃষ্টিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে এই বিদ্যালয়খনে। এনে এখন বিদ্যালয়ৰ মহাৰজত জয়ন্তীত উপস্থিত থাকিবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ড০ ক্ষীৰোদ গগৈ, নবীন কোঁৱৰ, গোলাপ বুঢ়াগোঁহাই, গংগাধৰ চেতিয়া, মুহী চেতিয়াসহ কেইবাগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত 'সদনৰ মতে, তথ্য প্ৰযুক্তিৰ ব্যৱহাৰে মানৱ জাতিৰ বিকাশমুখী ভৱিষ্যত নিশ্চিত কৰিছে' শীৰ্ষক বিষয়ত মুকলি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। কৌস্তভমণি কাকতি, নৱনীত হাজৰিকা, ড০ প্ৰশান্ত কুমাৰ চুতীয়া বিচাৰক হিচাপে থকা তৰ্ক প্ৰতিযোগিতাখনত বিশাল কিশোৰ দত্তই প্ৰথম, কল্যাণ জ্যোতি কলিতাই দ্বিতীয়, মৃণ্ময় বড়াই তৃতীয় আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে দিশা গগৈয়ে। ইয়াৰ পিছতে অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাত আদৃতা বৰাই প্ৰথম, বৰ্ণিল কাব্য খনিকৰে দ্বিতীয়, ৰৌদ্ৰদিত্য গগৈয়ে তৃতীয়, পৰীক্ষীতা গগৈয়ে চতুৰ্থ স্থান লাভ কৰে। 'খ' শাখাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰে ক্ৰমে নিড়িৰ বৰুৱা, প্ৰত্যাশা গগৈ, নৱদ্বীপ হাজৰিকা। 'গ' শাখাত ভাস্বত গগৈয়ে প্ৰথম, লুই বৰুৱাই দ্বিতীয় আৰু ময়ূৰ জ্যোতি বৰাই তৃতীয় স্থান লাভ কৰে। ইয়াৰ উপৰি আজি অনুষ্ঠিত হয় থলীতে লিখা ৰচনা প্ৰতিযোগিতা। ইপিনে, সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰদৰ্শন কৰা হয় ভাওনা।

# অমিতাভ কান্তৰ গ্ৰন্থত জি-২০ সন্মিলনক লৈ নতুন তথ্য

**নতুন দিল্লী, ১৬ জানুৱাৰীঃ** ২০২৩ চনত জি-২০ সন্মিলনৰ আয়োজন কৰিছিল ভাৰতে। সেই সময়ত তুংগত আছিল ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ। এনে পৰিপ্ৰেক্ষিতত সন্মিলনত অংশগ্ৰহণ কৰা দেশসমূহৰ মাজত ঐকমত্য গঢ়ি তোলাটো ভাৰতৰ বাবে আছিল আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। অৱশ্যে ৯ ছেপ্টেম্বৰত শীৰ্ষ সন্মিলন আৰম্ভ হোৱাৰ মাত্ৰ এঘণ্টা পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্বেৰপা অমিতাভ কান্তক 'নিউ দিল্লী লিডাৰ্ছ ছামিট ডিক্লেৰেশ্যন'ৰ অগ্ৰগতিৰ বিষয়ে প্ৰশ্ন কৰে। সেই সময়ত কিছু মতানৈক্যৰ মাজতো মোদীয়ে দ্ৰুত ফলাফল বিচাৰিছিল। ইয়াৰ পিছতে অমিতাভ কান্তে লগে লগে আন শ্বেৰপাসকলৰ লগত আলোচনা কৰি সৰ্বসন্মতিক্ৰমে একমতত উপনীত হ'বলৈ সক্ষম হয়। জি-২০ সন্মিলনৰ সেই ঘটনাৰ বিশদ বিৱৰণ অমিতাভ কান্তে উল্লেখ কৰিছে তেওঁৰ নতুন গ্ৰন্থ 'হাউ ইণ্ডিয়া স্কেলড মাউণ্ট জি২০: দ্য ইনচাইড ষ্টৰী অৱ দ্য জি২০ প্ৰেছিডেন্সি'ত। ৰাছিয়া-ইউক্ৰেইন যুদ্ধক লৈ মতানৈক্যৰ সৃষ্টি হোৱাৰ পিছতো সন্মিলনে সৰ্বসন্মতিক্ৰমে 'নিউ দিল্লী ডিক্লেৰেশ্যন' নামৰ ঘোষণাপত্ৰ গ্ৰহণ কৰে। ভাৰতৰ বাবে এয়া আছিল এক বৃহৎ কূটনৈতিক সফলতা। শীৰ্ষ সন্মিলনৰ প্ৰথম দিনাই প্ৰধানমন্ত্ৰী মোদীয়ে এই ৩৭ পৃষ্ঠাৰ ঘোষণাপত্ৰ গৃহীত কৰাৰ কথা ঘোষণা কৰে। গ্ৰন্থখনত শ্বেৰপা অমিতভা কান্তে লিখিছে, "২৫০ খন দ্বিপাক্ষিক বৈঠক আৰু ৩০০ ঘণ্টাৰ আলোচনাৰ পিছতো সঘনাই পৰিৱৰ্তন আৰু আপত্তি হৈছিল। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰতিটো দিশ বুজি পাইছিল আৰু তেওঁ প্ৰতি দুঘণ্টাৰ মূৰে মূৰে প্ৰতিবেদন প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিছিল। এই প্ৰক্ৰিয়াৰ ফলত ক্ষিপ্ৰতাৰে বিশ্লেষণ আৰু সমাধান নিৰ্ধাৰণ সম্ভৱ হৈ উঠিছিল।" কান্তৰ মতে এই সমস্যাৰ মূলতে আছিল ৰাছিয়াৰ জেদী অৱস্থিতি। ৰাছিয়াই "নিষেধাজ্ঞা" শব্দটো অন্তৰ্ভুক্ত কৰাৰ ওপৰত জোৰ দিছিল। ইয়াৰ ফলত ৰাছিয়াৰ উপ-বিদেশ মন্ত্ৰীৰ সৈতে প্ৰায় ডেৰ-দুঘণ্টা ধৰি দীঘলীয়া আলোচনা হয়। কান্তে কয়, "আমি ৰাছিয়াক বুজাই দিলোঁ যে এই দাবী গ্ৰহণযোগ্য নহয় আৰু ই ভাৰতক অভাৱনীয় হেঁচাত পেলাব। শেষত ৰাছিয়াই নিজৰ স্থিতি সলনি কৰে।" জি-৭ দেশসমূহে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লদিমিৰ জেলেনস্কিক আমন্ত্ৰণৰ বাবে হেঁচা প্ৰয়োগ কৰাৰ সময়তে ভাৰতে আমন্ত্ৰণ তালিকাখন কেৱল জি-২০ নেতাসকলৰ মাজত সীমাবদ্ধ ৰখাৰ সিদ্ধান্ত লয়। ফলত ৰাছিয়াকে ধৰি সকলো পক্ষকে একমতত উপনীত হোৱাটো সম্ভৱ হয়।

# নাট্যকাৰ তৰুণ শইকীয়ালৈ ২০২৫ বৰ্ষৰ গণশিল্পী ভোলা কটকী সোঁৱৰণী 'বিশ্বৰূপা বঁটা'

**ই-সংবাদ, বিশ্বনাথ, ১৬ জানুৱাৰীঃ** অসমৰ বিশিষ্ট নাট্যশিল্পী তথা চল্লচ্চিত্ৰ অভিনেতা প্ৰয়াত ভোলা কটকীৰ স্মৃতিত জামুগুৰিহাটৰ বিশ্বৰূপা ট্ৰাষ্টে আৰম্ভ কৰা গণশিল্পী ভোলা কটকী সোঁৱৰণী 'বিশ্বৰূপা বঁটা, ২০২৫' ৰ বাবে নিৰ্বাচিত কৰা হৈছে হাস্যমধুৰ নাটকৰ স্ৰষ্টা, বিশিষ্ট নাট্যকাৰ, বিশ্বনাথৰ তৰুণ শইকীয়াক। আশীৰ দশকত অনাতাঁৰৰ যোগেদি শ্ৰোতা দৰ্শকক হাস্যৰসৰ যোগান ধৰাৰ লগতে নাটকৰ মাধ্যমেদি গ্ৰাম্য সমাজৰ ইতিবাচক ছবি দাঙি ধৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হোৱা তৰুণ শইকীয়া হৈছে গণশিল্পী ভোলা কটকী সোঁৱৰণী বিশ্বৰূপা বঁটা' লাভ কৰা দ্বিতীয়গৰাকী ব্যক্তি। আজি বিশ্বনাথ চাৰিআলিত এই কথা ঘোষণা কৰিছে বিশ্বৰূপা ট্ৰাষ্টে। বিশ্বনাথ চাৰিআলি সাহিত্য সভা ভৱনত আজি বিয়লি আয়োজিত এখন সংবাদমেল সম্বোধন কৰি ট্ৰাষ্টৰ অধ্যক্ষ তথা গণশিল্পী ভোলা কটকীৰ কনিষ্ঠ পুত্ৰ, নাট্যশিল্পী স্বৰাজ কটকী, সদস্য সচিবদ্বয় ৰণজিৎ শইকীয়া, সত্য বৰা আৰু সদস্য লিখক নাথে এই কথা প্ৰকাশ কৰিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মাৰ সানিধ্য লাভ কৰা বিশিষ্ট নাট্যশিল্পী তথা চল্লচিত্ৰ অভিনেতা, গণশিল্পী ভোলা কটকীদেৱৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে প্ৰয়াত শিল্পী গৰাকীৰ পৰিয়ালবৰ্গৰ পৰামৰ্শ অনুসৰি আত্মপ্ৰকাশ কৰা জামুগুৰিহাটৰ 'বিশ্বৰূপা ট্ৰাষ্টে' ২০২৪ বৰ্ষৰ পৰা প্ৰদান কৰিছে গণশিল্পী ভোলা কটকী সোঁৱৰণী 'বিশ্বৰূপা বঁটা'। ট্ৰাষ্টে চলিত বৰ্ষত বিশিষ্ট নাট্যকাৰ তৰুণ শইকীয়াক প্ৰদান কৰিব লগা এই বঁটাত থাকিব এটি স্মাৰক, অংগ বস্ত্ৰ, গামোচা আৰু নগদ দহ হাজাৰ টকা। গণশিল্পী ভোলা কটকীদেৱৰ জন্মতিথি, প্ৰতিবৰ্ষৰ ২০ জানুৱাৰীত এই বঁটা প্ৰদান কৰা হয় আৰু এইবেলিও ২০ জানুৱাৰীত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হ'ব লগা এক বিশেষ সভাত বিশিষ্ট নাট্যকাৰ তৰুণ শইকীয়াক এই বৰ্ষৰ বাবে বঁটাটো আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি সংবাদমেল যোগে জানিবলৈ দিয়ে।



**নলবাৰীত গৌৰৱ গগৈয়ে সম্বোধন কৰা এখন ৰাজহুৱা সভাৰ দৃশ্য**

## মদৰ নিচাত মাতাল অভিযুক্তক গ্ৰেপ্তাৰ দদৰা আৰক্ষীৰ

# কামৰূপৰ পছৰীয়াত শিশুক যৌন নিৰ্যাতনৰ অভিযোগ

**ই-সংবাদ, শুৱালকুছি, ১৬ জানুৱাৰীঃ** আকৌ এবাৰ সভ্য সমাজক লজ্জানত কৰা জঘন্য কাণ্ড সংঘটিত হৈছে কামৰূপৰ পছৰীয়া অঞ্চলত। এগৰাকী প্ৰায় ৩৮ বছৰীয়া যুৱকে এগৰাকী ৬ বছৰীয়া শিশুক যৌন নিৰ্যাতনৰ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত পছৰীয়া উজানটোল অঞ্চলত। এগৰাকী ৬ বছৰীয়া শিশুক যৌন নিৰ্যাতন চলোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে পছৰীয়া অঞ্চলত। ইতিমধ্যে ঘটনাৰ অভিযুক্ত দীপক কলিতা(শ'ল) নামৰ যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধা-পোছা অব্যাহত ৰাখিছে। শিশুটিৰ অভিভাৱকৰ পৰা জানিব পৰা মতে, পহিলা মাঘৰ আবেলি শিশুটি সমনীয়াৰ সৈতে খেলি থকাৰ সময়তে দীপক কলিতা নামৰ বিকৃত মানসিকতাৰ যুৱকজনে অসৎ চৰিতাৰ্থ পূৰণ কৰাৰ চেষ্টা চলোৱাত ভয়ত শিশুটি ঘৰলৈ দৌৰ মাৰে আৰু মাতৃক সকলো কথা বিবৰি কোৱাত হুৱাদুৱা লাগে। ঘটনা সন্দৰ্ভত শিশুটিৰ অভিভাৱকে দদৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিজুমণি বাংথাইৰ নেতৃত্বত গোপন খবৰৰ ভিত্তিত পলাই থকা অভিযুক্ত দীপক কলিতা(শ'ল) নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে পছৰীয়া উজানটোল নিবাসী দীপক কলিতাই প্ৰায়ে মদৰ নিচাত মাতাল হৈ থাকে বুলি ৰাইজে অভিযোগ উত্থাপন কৰে।

# মোৰাঝাৰত নিষিদ্ধ ড্ৰাগছ জব্দ, ধৃত দুজন



**ই-সংবাদ, মোৰাঝাৰ, ১৬ জানুৱাৰীঃ** নিষিদ্ধ ড্ৰাগছে ছানি ধৰিছে হোজাই জিলাৰ মোৰাঝাৰৰ বিভিন্ন অঞ্চল। মোৰাঝাৰ থানাৰ অ' চি নিখিল চন্দ্ৰ ৰায়ৰ ধাৰাবাহিক অভিযানত ধৰা পৰিছে ইটোৰ পাছত সিটো ড্ৰাগছ সৰবৰাহকাৰী। উল্লেখ্যে যে যোৱা নিশা মোৰাঝাৰ থানাৰ অন্তৰ্গত ৰৌৱাৰপাৰ আৰু পশ্চিম যমুনাগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায় আৰক্ষীয়ে। গোপন সূত্ৰৰ পম খেদি মোৰাঝাৰ আৰক্ষীয়ে এই অভিযানত গ্ৰেপ্তাৰ কৰে দুই ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰী দুটা হ'ল নুৰ উদ্দিন আৰু বিল্লাল উদ্দিন। নুৰ উদ্দিনৰ ঘৰ ডবকাৰ কছাৰীপাৰা গাঁৱত আৰু বিলাল উদ্দিনৰ ঘৰ ডবকাৰ বুঢ়াগাঁৱত বুলি আৰক্ষীয়ে জনায়। ২ টা চাবোনৰ বাকচ আৰু ৪৮ টা সন্দেহজনক হেৰ'ইনৰ কন্টেইনাৰ উদ্ধাৰ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে জব্দ কৰে দুটা ম'বাইল ফোন আৰু নগদ ৩৮৭০ টকা। মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিখিল ৰায়ে গাঁওৰক্ষী বাহিনীৰ সহযোগত এই অভিযান চলাইছিল। নুৰ উদ্দিন নামৰ অভিযুক্তজন পূৰ্বেও ড্ৰাগছ সৰবৰাহৰ অভিযোগত আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈ জে'ললৈ গৈছিল। জে'লৰ পৰা মুকলি হৈ আহি পুনৰ নামি পৰে ড্ৰাগছ সৰবৰাহত। সম্প্ৰতি কৰায়ত্ত কৰা দুই ড্ৰাগছ সৰবৰাহকাৰীক মাৰাথান জেৰা চলাই গৈছে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা কিছুদিন পূৰ্বেও মোৰাঝাৰ আৰক্ষীয়ে পশ্চিম যমুনাগাঁও আৰু ৰৌয়াৰত অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছসহ দুই মহিলা সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হৈছিল।

# মৈৰাবাৰীত 'ভোগালীৰ এনিশা' অনুষ্ঠানৰ আয়োজন এছ চি চিৰ

**ই-সংবাদ, মৈৰাবাৰী, ১৬ জানুৱাৰীঃ** কালি মাঘ মাহৰ প্ৰথম দিনা ষ্টুডেন্ট কেডেট কৰ্পছৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত এ বি বি গ্ৰুপ, মৈৰাবাৰী প্ৰেছ ক্লাব আৰু বৃহত্তৰ মৈৰাবাৰী অঞ্চলৰ অসমীয়া ৰাইজৰ সহযোগত হিন্দু-মুছলমান লোকসকলক একত্ৰিত কৰি এক আকৰ্ষণীয় পৰিৱেশত বিভিন্ন বিহুৰ লগত জড়িত কাৰ্যসূচী ৰূপায়ণেৰে মৈৰাবাৰী প্ৰেছ ক্লাব বাকৰিত 'ভোগালীৰ এনিশা' অনুষ্ঠান সফলতাৰে সম্পন্ন কৰে। ভোগালী বিহু উপলক্ষে দিনৰ ভাগত ইতিহাস প্ৰসিদ্ধ মৈৰাবাৰী বালক প্ৰাথমিক বিদ্যালয় চৌহদত এছ চি চিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইনৰ নেতৃত্বত অসামাজিক কাৰ্যকলাপ প্ৰতিৰোধী সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল হুছেইন আৰু কেইজনমান গণ্যমান্য ব্যক্তিয়ে মূল্যৱান গছৰ পুলি ৰোপণ কৰে। গধুলি 'ভোগালীৰ এনিশা' অনুষ্ঠানত ভোগালী বিহু উপলক্ষে ৩০গৰাকী হিন্দু-মুছলমান মহিলা প্ৰতিযোগীয়ে পিঠা-পনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে পূৰ্ণিমা বেগম, দ্বিতীয় স্থান স্মৃতি বৰা আৰু তৃতীয় স্থান অধিকাৰ কৰে তৰালী বৰাই। অনুষ্ঠানটোত লাভলি পাহি, ৰুণুমণি বেগম, বলোৰাম পাটৰ, মৃদু পৱন শইকীয়া, মানিক চান্দ আদি কণ্ঠশিল্পীয়ে সুমধুৰ কণ্ঠেৰে গীত পৰিৱেশন কৰি ৰাইজৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

# সহস্ৰাধিক লোকৰ উপস্থিতিত জয়নগৰ মাদ্ৰাছাৰ ৭৩সংখ্যক সমাৱৰ্তন

**ই-সংবাদ, মোৰাঝাৰ, ১৬ জানুৱাৰীঃ** আজি অসমৰ অন্যতম প্ৰাচীন ইছলামী আৰু আধুনিক শিক্ষাৰ প্ৰতিষ্ঠান জামিয়া অসম দাৰুল হাদীছ জয়নগৰৰ ৭৩ সংখ্যক বাৰ্ষিক সমাৱৰ্তন আৰু পৱিত্ৰ বুখাৰী খতম অনুষ্ঠান মাদ্ৰাছাৰ ফকীৰধন ক্ষেত্ৰত অনুষ্ঠিত হয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সমাৱৰ্তনৰ প্ৰথম দিনা ছাত্ৰৰ বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। মাদ্ৰাছাৰ স্থায়ী সভাপতি হবিব মুহাম্মদ চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মাদ্ৰাছাৰ বাৰ্ষিক আলোচনী 'পয়ামে দাৰুল হাদীছ'ৰ অষ্টাদশ সংখ্যা উন্মোচন কৰা হয়। উন্মোচন কৰে ডবকা হাজী আনফৰ আলী কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড০ হাছিনুচ চুলতানে। সভাখনত মুখ্য অতিথি ৰূপে উপস্থিত থাকে অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মস্তাক আনফৰ, অধিবক্তা ৰাজেশ আগৰৱালা, ফাইজ মোহাম্মদ বৰভুঞাসহ বহুকেইগৰাকী বিশিষ্ট অতিথি। সভাখনত ছাত্ৰৰ মাজত বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনা অৰ্থাৎ আজিৰ মুকলি সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে মহাৰাষ্ট্ৰৰ আক্কলকুৱা মাদ্ৰাছাৰ জ্যেষ্ঠ মোহাদ্দিছ মৌলানা ৰিজৱানুদ্দিন নুমান চাহাব। মাদ্ৰাছাৰ জ্যেষ্ঠ মোহাদ্দিছ মুফতী মোহাম্মদ আলীৰ সঞ্চালনাত অনুষ্ঠিত বাৰ্ষিক সমাৱৰ্তনখনত চলিত বৰ্ষত বিভিন্ন বিষয়ত ডিগ্ৰী আহৰণ কৰা ১১৫ গৰাকী ছাত্ৰক সন্মানীয় পাগুৰি (দস্তাৰে ফজিলত) প্ৰদান কৰা হয়। প্ৰাপ্ত বাতৰি অনুসৰি চলিত বৰ্ষত হাদীছৰ জ্ঞান অৰ্জন কৰা ৫১ গৰাকী, পৱিত্ৰ কুৰআন মুখস্থ কৰা ৪২ গৰাকী, কুৰআন সুন্দৰকৈ পাঠ কৰা কেৰাত শাখাৰ ২২ গৰাকী ছাত্ৰসহ মুঠ ১১৫ গৰাকী ছাত্ৰক পাগুৰি দিয়া হয়। মুকলি সভাখনত মাদ্ৰাছাৰ পৰিচালনা কমিটীৰ সভাপতিয়ে ২০২৫ বৰ্ষৰ বাবে ৯ কোটি ৬৭ লাখ টকাৰ বাজেট দাখিল কৰে। লগতে মাদ্ৰাছাৰ সভাপতি হবিব মোহাম্মদ চৌধুৰী নেতৃত্বাধীন নতুন সমিতিয়ে ২০ নৱেম্বৰ ২০২৪ ত দায়িত্ব গ্ৰহণৰ পিছতেই গ্ৰহণ কৰা ২২ টা প্ৰস্তাৱ ৰাইজৰ সন্মুখত দাঙি ধৰে। সমাৱৰ্তনখনত অসমৰ বিভিন্ন প্ৰান্তৰ বিশ হাজাৰৰো অধিক লোকে অংশগ্ৰহণ কৰে।



**বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য পদৰ বাবে মনোনয়ন পত্ৰ দাখিল হিমন্ত বিশ্ব শৰ্মাৰ, ফটো বৃহস্পতিবাৰৰ**

# হাজোৰ মিলপাৰাত বিধ্বংসী অগ্নিকাণ্ড আঠ খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত

**ই-সংবাদ, হাজো, ১৬ জানুৱাৰীঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত মিলপাৰাত আজি দুপৰীয়া সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। দিনৰ প্ৰায় ২ বজাত সংঘটিত এই অগ্নিকাণ্ডত অঞ্চলটোৰ ৮খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণ ৰূপে ভস্মীভূত হয়। জানিব পৰা মতে, প্ৰথমে চাইকেল দোকান এখনত সূত্ৰপাত ঘটা জুয়ে হঠাতে ভয়ংকৰ ৰূপ ধাৰণ কৰি ওচৰতে থকা এখন চাহৰ দোকান, দুখন কাপোৰৰ দোকান, দুখন ইলেকট্ৰিক দোকান জুয়ে ছানি ধৰে। লগে লগে ৰাইজে হাজো অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে যদিও অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপণ কৰাৰ পূৰ্বে ৮খনকৈ দোকান জুইত সম্পূৰ্ণৰূপে জাহ যায়। উল্লেখ্য যে হাজো অগ্নিনিৰ্বাপক বাহিনীৰ উপৰি শুৱালকুছি আৰু উত্তৰ গুৱাহাটীৰ পৰা অহা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰে প্ৰায়ত ঘণ্টাৰ পিছত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। স্থানীয় লোক তথা দোকান গৃহৰ মালিকে জনোৱা মতে অগ্নিকাণ্ডৰ ক্ষয়-ক্ষতিৰ পৰিমাণ ৭০ লক্ষাধিক। ঘটনাস্থলীত হাজো আৰক্ষীসহ ৰাজহ চক্ৰ বিষয়াগৰাকী উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ উপৰি অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ বিচাৰি অনুসন্ধান আৰম্ভ কৰিছে। উল্লেখ্য যে অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ লগে লগেই স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়া, বিজেপি নেতা প্ৰকাশ দাস ঘটনাস্থলীত উপস্থিত হৈ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উপৰি ক্ষতিগ্ৰস্ত লোকসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰে।

# টেট (TET) তথা নিযুক্তি পৰীক্ষা-২০২৪ ৰ বাবে কামৰূপ জিলাত নিষেধাজ্ঞা

**ই-সংবাদ, গুৱাহাটী, ১৬ জানুৱাৰীঃ** আগন্তুক ১৯ জানুৱাৰীত সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাত অনুষ্ঠিত হ'বলগীয়া টেট (TET) তথা নিযুক্তি পৰীক্ষা-২০২৪ ৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই বি এন এছ এছৰ ১৬৩ নং ধাৰাৰ অধীনত উক্ত দিনটোত জিলাখনত প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি পৰীক্ষাৰ্থী, স্ক্ৰাইবসকল আৰু পৰীক্ষা অনুষ্ঠিত কৰা আৰু পৰীক্ষাৰ নিৰীক্ষণৰ দায়িত্বত থকা কৰ্মচাৰীসকলৰ বাদে পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো লোক সমবেত হ'ব নোৱাৰিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ ম'বাইল ফোন (ছুইচ অফ থকা ম'বাইল ফোন), যিকোনো ধৰণৰ ইলেক্ট্ৰ'নিক সামগ্ৰী বা প্ৰগ্ৰেমেবোল ডিভাইচ বা ষ্টৰেজ থকা মিডিয়া ডিভাইচ যেনে- স্মাৰ্ট ঘড়ী, হেলথ্ বেণ্ড, ইলেক্ট্ৰ'নিক পেন/স্কেনাৰ, ব্লুটুথ ডিভাইচ, ইয়েৰ ফোন, মাইক্ৰ'ফোন আদি বা আন তেনেধৰণৰ যোগাযোগৰ যিকোনো সামগ্ৰী কাম কৰি থকা অৱস্থাত বা চুইছ অফ থকা অৱস্থাত পৰীক্ষা হলৰ ভিতৰলৈ নিব নোৱাৰিব। লগতে কেলকুলেটৰ, পেনড্ৰাইভ, কাগজৰ টুকুৰা, পাঠ্যপুথি (ছপা বা লিখিত) বা অসৎ উপায়েৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে ব্যৱহাৰ হ'ব পৰা কোনো ধৰণৰ সামগ্ৰী পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ নিব নোৱাৰিব। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগ আৰু অসম মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ হৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (এএছএছইবি, বিভাগ-১) চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদৰ বাবে টেট (TET) তথা নিযুক্তি পৰীক্ষা-২০২৪ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰীক্ষা কেন্দ্ৰ নিৰ্বাচিত কৰি সময়সূচী ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত আৰু মুক্ত, নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি তথা পৰীক্ষাৰ প্ৰক্ৰিয়াত যাতে কোনো অবাঞ্ছিত বাহিৰা শক্তি জড়িত হ'ব নোৱাৰে তথা পৰীক্ষা চলি থকা সময়ত পৰীক্ষা কেন্দ্ৰৰ চাৰিওদিশৰ শান্তিপূৰ্ণ পৰিৱেশ বিনষ্ট কৰিব পৰা কোনো ধৰণৰ অসৎ কাৰ্যকলাপ যাতে সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। লগতে মুক্ত, নিকা আৰু স্বচ্ছতাৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰক্ৰিয়াক অসৎ উপায়েৰে বিঘ্নিত কৰাৰ বাবে চেষ্টা চলোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তথা পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীক বাধা দিব পৰা বা আঘাত হানিব পৰা, মানৱ জীৱন, স্বাস্থ্য আৰু সুৰক্ষাৰ প্ৰতি ভাবুকি আনিব পৰা, ৰাজহুৱা শান্তি বিঘ্নিত কৰিব পৰা যিকোনো সংঘৰ্ষ সৃষ্টি কৰিব পৰা যিকোনো কাৰণ প্ৰতিহত কৰাৰ বাবে কামৰূপ জিলাৰ জিলা দণ্ডাধীশে ১৯ জানুৱাৰীৰ পৰীক্ষাৰ দিনটোত প্ৰযোজ্য হোৱাকৈ উপৰিক্ত নিষেধাজ্ঞা আৰোপ কৰিছে।

## দুৰ্বৃত্তৰ অগ্নি সংযোগৰ সন্দেহ, দল-সংগঠনৰ গৰিহনা

# ওদালগুৰিত ভয়ংকৰ অগ্নিকাণ্ডত ভষ্মীভূত হ'ল এটি গীৰ্জা

**ই-সংবাদ, ওদালগুৰি ১৬ জানুৱাৰীঃ** যোৱা নিশা ওদালগুৰি চহৰৰ সমীপৱৰ্তী অম্বাগাওঁৰ ঝকৰাত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। অগ্নিকাণ্ডৰ ফলত ৭৫ বছৰীয়া পুৰণি এটি কেথলিক গীৰ্জাঘৰ প্ৰায় সম্পূৰ্ণৰূপে জুইত জাহ যায়। অগ্নিকাণ্ডৰ ফলত জুইৰ লেলিহান শিখাই নিমিষতে গীৰ্জাঘৰটো আগুৰি ধৰাত গীৰ্জাঘৰটোৰ ভিতৰ অংশ প্ৰায় সম্পূৰ্ণৰূপে জুইত জাহ যায়। যোৱা নিশা প্ৰায় ১০-৩০ মান বজাত অচিনাক্ত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে। অগ্নিকাণ্ড প্ৰত্যক্ষ কৰাৰ লগে লগে স্থানীয় লোকে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে যদিও জুইয়ে তৎক্ষণাত ভয়ংকৰ ৰূপ ধাৰণ কৰাত গীৰ্জাটোৰ ভিতৰৰ কোনো সামগ্ৰীয়েই ৰক্ষা কৰিব পৰা নগ'ল। ঘটনাৰ খবৰ বিয়পি পৰাৰ পাছত আজি পুৱাৰ ভাগতেই ঘটনাস্থলীত উপস্থিত হয় স্থানীয় জনপ্ৰতিনিধিৰ লগতে দল-সংগঠন। সকলোৱে এই ঘটনাক গৰিহনা দিয়ে। ঘটনা সন্দৰ্ভত ওদালগুৰি জিলা এবছুৰ নেতা কৰনেলিয়াছ দৈমাৰীয়ে কয়, "এই ঘটনা দুৰ্ভাগ্যজনক। দুস্কৃতিকাৰীয়ে শান্তি সম্প্ৰীতি বিঘ্নিত কৰাৰ চেষ্টা কৰিছে। ইয়াৰ পূৰ্বেও অঞ্চলটোত এনে ধৰণৰ বিক্ষিপ্ত ঘটনা সংঘটিত হৈ আহিছে। আজিৰ ঘটনাক লৈ পঞ্চমবাৰলৈ এনে ঘটনা সংঘটিত হৈছে অঞ্চলটোত। আমি ৰাইজক শান্তি সম্প্ৰীতি বৰ্তাই ৰখাৰ বাবে আহ্বান জনাইছো। লগতে জিলা আৰক্ষী প্ৰশাসনক আহ্বান জনাও যে কেইৰাটাও জাতি-জনগোষ্ঠীয়ে বসবাস কৰা অঞ্চলটোত যাতে কোনো ধৰণৰ অশান্তিৰ পৰিৱেশে বিৰাজ নকৰে তাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সমান্তৰালভাৱে আৰক্ষী ঘটনা সন্দৰ্ভত তদন্ত কৰি প্ৰকৃত দোষীক বিচাৰি উলিয়াই কঠোৰ শাস্তি প্ৰদান কৰিব লাগে। ইফালে অগ্নিকাণ্ড সংঘটিত হোৱা গীৰ্জাৰ চৌহদত উপস্থিত হৈ বিটিচিৰ হৰিশিঙা পৰিষদীয় সমষ্টিৰ



পাৰিষদ সঞ্জয় স্বৰ্গীয়াৰীয়েও সমগ্ৰ ঘটনাক গৰিহণা দি কয়, "এনে ঘটনা অতি দুৰ্ভাগ্যজনক। কি কাৰণত গীৰ্জাটোত অগ্নিকাণ্ড সংঘটিত হ'ল সেয়া এতিয়াও জানিব পৰা হোৱা নাই। অঞ্চলটোৰ আশে পাশে বড়ো, চাওতালী, গোৰ্খাকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকে মিলা প্ৰীতিৰে বসবাস কৰি আহিছে। ৰাজ্যত ভোগালী বিহুৰ আনন্দ চলি থকাৰ মাজতে সংঘটিত হোৱা আজিৰ ঘটনাই আমাক মনত দুখ দিছে। আগন্তুক দিনবোৰত যাতে এনে ধৰণৰ ঘটনা সংঘটিত নহয় সেয়াই কামনা কৰিছো।" লগতে তেখেতে সকলোকে শান্তি সম্প্ৰীতি বৰ্তাই ৰখাৰ বাবেও আহ্বান জনায়। ইফালে ঘটনাস্থলীত পুৱাৰ ভাগতেই উপস্থিত হয় প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীৰ লগতে বিটিচিৰ প্ৰাক্তন অধ্যক্ষ ত্ৰিদীপ দৈমাৰী। দুয়োগৰাকীয়ে সমগ্ৰ ঘটনাক গৰিহনা প্ৰদান কৰি শান্তি বিঘ্নিত হব পৰা কাৰ্যৰ পৰা সকলো পক্ষকে আতৰি থাকিবলৈ আহ্বান জনায়। একেদৰে ঘটনা সন্দৰ্ভত ওদালগুৰি জিলা আয়ুক্ত পুলক পাটগিৰি, জিলা আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হৈ বুজ লোৱাৰ লগতে তদন্ত আৰম্ভ কৰিছে। ঘটনা সন্দৰ্ভত বৃহত্তৰ অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে যদিও কি কাৰণত অগ্নিকাণ্ডৰ ঘটনাটো সংঘটিত হ'ল সেয়া জানিব পৰা হোৱা নাই।

# দলংঘাট জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ১৬ জানুৱাৰীঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত ব্যক্তিগত খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান দলংঘাট জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস বেছ ওলহ-মালহেৰে উদযাপিত হৈ যায়। এই মৰ্মে, শিক্ষানুষ্ঠানখনৰ চৌহদত গুৰু-শিষ্য, অভিভাৱক আৰু অভ্যাগতৰ উপস্থিতিৰে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচী অনুসৰি পুৱা গাঁও প্ৰধান দুৰ্গাকান্ত বৰদলৈয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভদৰাম শইকীয়াই। ইয়াৰ পিছতে স্থানীয় অঞ্চলৰ মাজেৰে এটি বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিয়লি ভদৰাম শইকীয়াৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত ষষ্ঠদশ অসম আৰক্ষী বাহিনী চিকিৎসক ডাঃ বুৰহান চৌধাৰী, মাজ-জাজৰি মণ্ডল সমল কেন্দ্ৰৰ চি আৰ চি নৰেন ডেকা, জাজৰি গোলেস্থান হাই মাদ্ৰাছাৰ প্ৰধান শিক্ষক মিৰ্জা ফিৰুজ শ্বাহ আলম, দলংঘাট ভুবেন চন্দ্ৰ হাইস্কুলৰ প্ৰধান শিক্ষক জামাল উদ্দিন আহমেদ, জাজৰি বালিকা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী হাচনা বেগম, বীৰ চিলাৰায় হাইস্কুলৰ শিক্ষক ভূপেন দাস, অৱসৰপ্ৰাপ্ত শিক্ষক মুছেদ আলী, সমাজকৰ্মী মুক্তাব হুছেইন, আমিনুৰ ৰহমান, আব্দুল লতিফকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ উপযোগী সাৰুৱা ভাষণ প্ৰদান কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পূৰ্ণিমা লস্কৰ চেতিয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত ২০২৩-২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক ফলাফলৰ ভিত্তিত প্ৰথম স্থান পোৱা ছাত্ৰ-ছাত্ৰীকো দুটা শাখাত বঁটা প্ৰদান কৰা হয়। মুকলি সভাৰ পিছতেই অনুষ্ঠিত হোৱা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা মনোমোহা নৃত্য-গীতৰ লগতে কণ্ঠশিল্পী পৰিস্মিতা দাস আৰু আৰ্চিদা ৰহমানে সংগীতানুষ্ঠান পৰিৱেশন কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## চকলাঘাটত শিল্পী দিৱসৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১৬ জানুৱাৰীঃ** নগাঁও জিলাৰ চকলাঘাটৰ হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ উদ্যোগত তথা চকলাঘাট শাখা সাহিত্য সভা আৰু চকলাঘাট ৰাস মন্দিৰ পৰিচালনা সমিতিৰ সহযোগত হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ প্ৰেক্ষাগৃহত কাইলৈ দিনজোৰা কাৰ্যক্ৰমণিকাৰে গীতে-মাতে শিল্পী দিৱসৰ লগতে 'গণশিল্পী সূৰ্য দাসলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন' শীৰ্ষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ৯.৩০ বজাত ৰূপকোঁৱৰলৈ স্মৃতি তৰ্পণ আৰু গণশিল্পীলৈ স্মৃতি তৰ্পণৰ অন্তত পুৱা ১১ বজাত 'জ্যোতি স্মৰণ' অনুষ্ঠান অনুষ্ঠিত হ'ব। স্থানীয় মহিলা শিল্পীসকলৰ দ্বাৰা সমবেত সংগীত পৰিবেশনেৰে শুভাৰম্ভ হ'বলগীয়া অনুষ্ঠানটিত পৌৰোহিত্য কৰিব হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ সভাপতি দেৱ কুমাৰ বৰাই। বিয়লি আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা বাৰেৰহণীয়া সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব। ইফালে, উক্ত স্থানতে চকলাঘাট শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখনিও অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি পুৱা ৮.৪৫ বজাৰ পৰা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আদিৰ পিছতে মুকলি সভা অনুষ্ঠিত হ'ব। সভাত নগাঁও জিলা সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি ড০ শৰৎ বৰকটকী আৰু সম্পাদক ৰাজীৱ হাজৰিকাৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি চকলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক গোবিন চন্দ্ৰ নাথে জানিবলৈ দিছে।

## লাহৰীঘাটত পথ দুৰ্ঘটনা, থিতাতে নিহত দুই বাইক আৰোহী



**ই-সংবাদ, লাহৰীঘাট, ১৬ জানুৱাৰীঃ** মাঘ বিহুৰ আনন্দৰ মাজতে মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলিত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। লাহৰীঘাট-মৰিগাঁও সংযোগী পথৰ কুশতলিৰ সোণডোবা দলঙৰ পাৰত আজি আবেলি সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনাটো। পথ দুৰ্ঘটনাত দুই বাইক আৰোহী যুৱক থিতাতে নিহত হয়। মৃত যুৱক দুজন হৈছে লাহৰীঘাট থানাৰ অন্তৰ্গত বোৰালগুৰি গাঁৱৰ সুৰজিৎ পাতৰ আৰু ৰবি পাতৰ। লাহৰীঘাট অভিমুখে যোৱা AS-01 JC-1167 নম্বৰৰ মেজিক ট্ৰাকখনে বিপৰীত দিশৰ পৰা অহা AS-21 L-8835 নম্বৰৰ বাইকখনত খুন্দা মৰাৰ ফলতেই এই ভয়ংকৰ পথ দুৰ্ঘটনাটো সংঘটিত হয়। ইফালে, দুৰ্ঘটনা সংঘটিত কৰিয়েই মেজিক ট্ৰাকখনৰ চালকজনে গাড়ী এৰি পলায়ন কৰে। পাছত ঘটনাস্থলীত লাহৰীঘাট থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ দুটা লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসকে মৰিগাঁও অসামৰিক চিকিৎসালয় লৈ পঠিয়াই দিয়ে।

# ডিব্ৰুগড়ত টেঙাখাত শিক্ষা খণ্ডত সজাগতামূলক প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ১৬ জানুৱাৰীঃ** সমগ্ৰ ভাৰতবৰ্ষতে আৰম্ভ হোৱা '১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানৰ' অংশ হিচাপে ডিব্ৰুগড় জিলাতো বিভিন্ন শিক্ষা খণ্ডৰ অধীনৰ শিক্ষকসকলৰ মাজত যক্ষ্মা ৰোগ সজাগতা সম্পৰ্ক এলানি কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰে অংশ হিচাপে টেঙাখাত প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনৰ প্ৰায় ৩০ গৰাকী শিক্ষকক আজি যক্ষ্মা ৰোগৰ সজাগতামূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই উদ্দেশ্যে টেঙাখাত খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ কাৰ্যসূচীত টেঙাখাত প্ৰাথমিক চিকিৎসা খণ্ডৰ মহকুমা চিকিৎসা বিষয়া ডাঃ ৰশ্মি ঠাকুৰীয়াৰ লগতে উপস্থিত থাকে টেঙাখাত প্ৰাথমিক খণ্ড শিক্ষা বিষয়া হীৰা দলে। দুয়োগৰাকী বিষয়াই প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভণিতে শিক্ষকসকলক উদ্দেশ্যি যক্ষ্মা নিৰ্মূল অভিযানৰ অংশীদাৰ হৈ জিলাখনক যক্ষ্মামুক্ত কৰাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানৰ আঁত ধৰে টেঙাখাত খণ্ডৰ বিচিএম উচ্চজিত ফুকনে। সহযোগিতা আগবঢ়ায় টেখাখাত খণ্ড চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা পৰিদৰ্শক ভাস্কৰজ্যোতি খনিকৰে। আনহাতে, ডিব্ৰুগড় জিলা যক্ষ্মা নিৰ্মূল আঁচনিৰ হৈ এই প্ৰশিক্ষণ প্ৰদান কৰে জিলা পিএমডিটি সমন্বয়ক বিষ্ণু গোহাঁয়ে।

# চেলেংহাটত ৰাজীৱ শদিয়াক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, মৰিয়নি, ১৬ জানুৱাৰীঃ** জনতাৰ শিল্পী, মেহনতি জনতাৰ গীত গাই মাটিৰ শিল্পী হিচাপে পৰিগণিত হোৱা ৰাজীৱ শদিয়াৰ অকাল মৃত্যুত আৰু চেলেংহাট বৰনগএগ্ৰা গাঁৱৰ সুসন্তান বিশিষ্ট কবি, শিক্ষাবিদ, ঢকুৱাখানা মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ, চাৰিকটিয়াৰ কবি খ্যাত শিৱপ্ৰসাদ গগৈৰ মৃত্যুত আজি চেলেংহাটত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। চেলেংহাটৰ অগ্ৰণী বিষ্ণু জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত দুয়োজন অমৰ মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা জনোৱা হয়। বিষ্ণু জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ সহকাৰী সম্পাদক অনুৰঞ্জন দুৱৰাই আঁত ধৰা, বিষ্ণু জ্যোতিৰ সভাপতি ৰমেন গগৈয়ে বন্তি প্ৰজ্জ্বলন কৰা অনুষ্ঠানটোত চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক সুদৰ্শন বৰা, বৰনগএগ্ৰা যুৱ সমাজৰ সভাপতি জীৱন দুৱৰা, শিৱপ্ৰসাদ গগৈৰ ভাতৃ দিগন্ত গগৈ, সমাজকৰ্মী সঞ্জীৱ গগৈ, শিক্ষক দেৱপ্ৰসাদ গগৈ, চেলেংহাট প্ৰেছ ক্লাবৰ সীমান্ত প্ৰতীম বৰ্মন, জোনটো তাঁতী, অনুৰাগ শইকীয়া, ক্ৰীড়া সংগঠক তপন পাত্ৰ, চেলেংহাট হেলথ ক্লাবৰ সঞ্চালক তুষাৰ পালকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# নলবাৰী জিলা ছাত্ৰ সন্থাৰ বিশেষ মেধা পৰীক্ষা

**ই-সংবাদ, নলবাৰী, ১৬ জানুৱাৰীঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আঞ্চলিক ছাত্ৰ সন্থাসমূহৰ সহযোগত অইনবেলিৰ দৰে এইবেলিও আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৈক্ষিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি অহা ১৮ আৰু ১৯ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে বিশেষ মেধা পৰীক্ষা ২০২৪-২৫ নলবাৰী জিলাৰ ২০ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত কৰা হ'ব। উক্ত বিশেষ মেধা পৰীক্ষা ১৮ জানুৱাৰীত ইংৰাজী, সাধাৰণ বিজ্ঞান আৰু ১৯ জানুৱাৰীত সাধাৰণ গণিত, সমাজ বিজ্ঞান বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব। প্ৰশ্নকাকত সমূহ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ সমপৰ্যায়ৰ হ'ব বুলি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, সাধাৰণ সম্পাদক সমৰজ্যোতি মহন্ত আৰু শিক্ষা সম্পাদক বিশ্বজিৎ মল্ল বুজৰবৰুৱাই জানিবলৈ দিয়াৰ লগতে মেধা পৰীক্ষাৰ বিষয়ে সবিশেষ জানিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ৭০০২৯০৪৮২০, ৯৩৬৫২ ৫৮১৫৫ আৰু ৮৭৫৩৮ ৪৭৭২৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে প্ৰতিটো পৰীক্ষা কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা তিনিগৰাকী মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীক বাছনি কৰা হ'ব আৰু তেওঁলোকক মানপত্ৰ আৰু কিতাপৰ টোপলাৰে পুৰস্কৃত কৰা হ'ব। পৰীক্ষাৰ ফলাফল ১০ ফেব্ৰুৱাৰীত ঘোষণা কৰা হ'ব।

# উপৰহালীত সদৌ অসম ভিত্তিত লোকগীত আৰু বৰগীতৰ চলন্ত শ্বিল্ড প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ১৬ জানুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ উপৰহালী-দখলা শ্ৰীশ্ৰী বুঢ়াগোসাঁই হৰিহৰ লোক সংগীত, সংগী দলৰ উদ্যোগত ২১ জানুৱাৰী, মঙলবাৰে দখলা পাহাৰৰ শৈল শিখৰত ৪২ সংখ্যক সদৌ অসম ভিত্তিত লোকগীত আৰু বৰগীতৰ চলন্ত শ্বিল্ড প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ সভাপতিৰ পদত পবিত্ৰ কুমাৰ তালুকদাৰ, সাধাৰণ সম্পাদক পদত দীনেশ কলিতা, উপ-সভাপতি চবিন ঠাকুৰীয়া, সহঃ সাধাৰণ সম্পাদকত্ৰয় কৈলাশ ঠাকুৰীয়া, বিদ্যাধৰ ভড়ালী, বিজয় তালুকদাৰ, মঞ্চ সম্পাদক হেৰাম্ব মজুমদাৰ অধিষ্ঠিত হয়। এই অনুষ্ঠানৰ মুকলি সভা উদ্বোধনী কৰিব লোকগীতৰ ওজা বংশীধৰ দাসে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ ক্ৰীড়া আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বড়া, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া। প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোৰে উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নামতি চাৰিআলিত বিশ্ব শান্তিৰ বাবে শতাধিক লোকৰ ৰাজহুৱা দোৱা

**ই-সংবাদ, গেলেকী, ১৬ জানুৱাৰীঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলি বৰমছজিদ প্ৰাংগণত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় দ্বীনি ওৱাজ মেহফিল আৰু ইছলামিক প্ৰতিযোগিতা। নামতি চাৰিআলি সন্মিলিত মুছলিম যুৱ সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত দিনটোৰ বিভিন্ন কাৰ্যসূচীৰ অন্তত সন্ধিয়া শ শ লোক নামতি চাৰিআলি বৰমছজিদ প্ৰাংগণত উপস্থিত হৈ বিশ্ব শান্তিৰ বাবে সমূহীয়া দোৱা কৰে। নামতি চাৰিআলি বৰমছজিদ প্ৰাংগণত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত পুৱা বৰমছজিদ জামাতৰ পেছ ঈমাম আলহাজ মৌলানা কাৰী চৰিফুৰ ৰহমানয়ে পতাকা উত্তোলন কৰে। বৰমছজিদৰ সভাপতি আলহাজ বুবুল হাজৰিকাই গছপুলি ৰোপণ কৰাৰ পাছতেই আঠ জামাতৰ পেছ ইমাম, হাফিজ আৰু মৌলানাসকলৰ দ্বাৰা কোৰাণ খতম কৰা হয়। সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ ইছলামিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

# বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীক বিচাৰি উদ্ধাৰ অভিযানত শিক্ষক-শিক্ষয়িত্ৰী

ই-সংবাদ, মথুৰাপুৰ, ১৬ জানুৱাৰীঃ গুণোৎসৱ-২০২৫ত এইবাৰ শিক্ষক-শিক্ষয়ত্ৰী নামিল অনিয়মীয়া আৰু বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীৰ উদ্ধাৰ অভিযানত। বৃহত্তৰ মথুৰাপুৰ অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলে বিদ্যালয়খনত নামভৰ্তি কৰা অনিয়মীয়া আৰু আধাতে বিদ্যালয় ত্যাগ কৰা মথুৰাপুৰ চাহ বাগিচাৰ শিক্ষাৰ্থীসকলক মথুৰাপুৰ চাহ বাগিচাৰ লাইনে লাইনে বিচাৰি ফুৰা ব্যতিক্ৰমী দৃশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ্য যে মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰায় আশী শতাংশ শিক্ষাৰ্থী মথুৰাপুৰ চাহ বাগিচাৰ অন্তৰ্গত। কিন্তু অতি দুৰ্ভাগ্যজনক বিষয় যে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত নামভৰ্তি কৰাৰ পাছত বহু শিক্ষাৰ্থী বিদ্যালয়ত উপস্থিতি অনিয়মীয়া হোৱাৰ লগতে কিছু সংখ্যকে বিদ্যালয়ৰ দুই এটা পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পাছত বিদ্যালয় ত্যাগ কৰে। যাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে এনে শিক্ষাৰ্থীক বিচাৰি প্ৰায়ে এনেদৰেই অভিযান চলাই আহিছে। ইফালে, ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে অহা ১৭ আৰু ২০ জানুৱাৰীত গুণোৎসৱৰ আয়োজন কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়ৰ শিক্ষাগুৰুসকলে বৃহস্পতিবাৰে মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনে অনিয়মীয়া আৰু বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীক বিচাৰি মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে মথুৰাপুৰ চাহ বাগিচাত এক সজাগতা অভিযান চলাই শিক্ষাৰ্থীসকলক বিদ্যালয়লৈ পঠাবলৈ অভিভাৱকসকলক অনুৰোধ জনায়।

# চৰাইদেউ জিলাত ঝুমইৰ বিনন্দিনী (মেগা ঝুমইৰ) আয়োজনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, সোণাৰি, ১৬ জানুৱাৰীঃ** বিগত বৰ্ষত অসমীয়াৰ বাপতি সাহোন বিহুক বিশ্ব দৰবাৰত অভিলেখ সৃষ্টিৰে প্ৰতিষ্ঠিত কৰাৰ পিছত চলিত বৰ্ষত অসমীয়া সংস্কৃতিৰ অভিন্ন অংগ 'ঝুমইৰ'ক স্বীকৃতি আৰু প্ৰসিদ্ধি প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে 'ঝুমইৰ বিনন্দিনী'(মেগা ঝুমইৰ) কাৰ্যসূচী। ৰাজ্য চৰকাৰৰ সিদ্ধান্ত মৰ্মে আগন্তুক ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাইস্থিত ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ প্ৰায় ৭৫০০ গৰাকী শিল্পীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত এক বৃহৎ কলেবৰত প্ৰদৰ্শন কৰিব চাহ জনগোষ্ঠীৰ স্বাভিমানৰ প্ৰতীক ঝুমইৰ নৃত্য। চৰাইদেউ জিলাৰ ঝুমইৰ শিল্পীসকলক এই ঐতিহাসিক ক্ষণৰ অংশীদাৰ কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ আৰম্ভ কৰিছে। চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত ঝুমইৰ বিনন্দিনী (মেগা ঝুমইৰ) কাৰ্যসূচীৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰাৰ উদ্দেশ্যে আজি চৰাইদেউ জিলাৰ চাহ-বাগিচাসমূহৰ কৰ্তৃপক্ষৰ সৈতে এক বিশেষ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে জিলাখনত ঝুমইৰ বিনন্দিনী (মেগা ঝুমইৰ) অনুষ্ঠানটি সফলতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত চাহ-বাগিচা কৰ্তৃপক্ষৰ পূৰ্ণ সহযোগিতা কামনা কৰে। উল্লেখ্য যে ঝুমইৰ বিনন্দীয়া কাৰ্যসূচীৰ অন্তৰ্গত জিলাখনৰ বাবে নিৰ্ধাৰণ কৰা প্ৰতিযোগীৰ সংখ্যা হ'ল ৬০৮ গৰাকী। এই প্ৰতিযোগীসকলক ২৭ গৰাকী মাষ্টাৰ ট্ৰেইনাৰে প্ৰশিক্ষণ প্ৰদান কৰিব। জিলাখনৰ এটি দলৰ মুঠ সদস্যৰ সংখ্যা ৩২ গৰাকী, যাৰে ২৫ গৰাকী নাচনী, ৬ গৰাকী বাদ্যযন্ত্ৰী আৰু এগৰাকী ৰসিকা (গায়িকা) থাকিব। বিধানসভা পৰ্যায়ৰ প্ৰশিক্ষণ আৰু চয়ন কাৰ্যসূচী অহা ২৮ ৰ পৰা ৩১ জানুৱাৰীলৈ অনুষ্ঠিত কৰা হ'ব। অংশগ্ৰহণকাৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সোণাৰি বিধানসভা সমষ্টিৰ বাবে বৰহাট বাগিচা খেলপথাৰ, শালকাঠনি বেছিক খেলপথাৰ আৰু সোণাৰি মহাবিদ্যালয় খেলপথাৰত আৰু মাহমৰা বিধানসভা সমষ্টিৰ বাবে গৰৈমাৰী ষ্টেডিয়াম খুমটাই চাহ বাগিচা খেলপথাৰত প্ৰশিক্ষণৰ স্থান নিৰ্ধাৰণ কৰা হৈছে বুলি বৈঠকত অৱগত কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে চাহ-বাগিচা কৰ্তৃপক্ষক প্ৰশিক্ষণ কাৰ্যসূচী আৰু স্থান সম্পৰ্কে ব্যাপকভাৱে সজাগতা সৃষ্টি কৰাৰ লগতে অংশগ্ৰহণকাৰীৰ যাতায়াতৰ সু-ব্যৱস্থা কৰিবলৈও আহ্বান জনায়। কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে বয়সৰ সময়সীমা মহিলাৰ বাবে ১৫ৰ পৰা ৩৫ বছৰ আৰু পুৰুষৰ বাবে ১৫ৰ পৰা ৪৫ বছৰ নিৰ্ধাৰিত কৰা হৈছে বুলিও বৈঠকত জানিবলৈ দিয়া হয়। উল্লেখ্য যে, মাষ্টাৰ ট্ৰেইনাৰসকলক বিগত ৬ জানুৱাৰীৰ পৰা ১০ জানুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিশেষজ্ঞ পৰ্যায়ত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। অহা ১৭ জানুৱাৰীত গুণোৎসৱ-২০২৫ৰ অন্তৰ্গত বিদ্যালয়সমূহত অনুষ্ঠিত হ'বলগীয়া আভ্যন্তৰীণ মূল্যায়নৰ পৰিপ্ৰেক্ষিতত চাহ-বাগিচা এলেকাৰ বিদ্যালয়সমূহত উক্ত দিনা ছাত্ৰ-ছাত্ৰীৰ ১০০ শতাংশ উপস্থিতি নিশ্চিত কৰিবলৈও বৈঠকত জিলা আয়ুক্তগৰাকীয়ে চাহ-বাগিচাসমূহৰ কৰ্তৃপক্ষক আহ্বান জনায়।

# জনবসতিপূৰ্ণ এলেকাত সুৰাৰ দোকানক লৈ খেৰবাৰীত উত্তেজনা, নিৰ্মীয়মাণ দোকান ভাঙিলে ৰাইজে

**ই-সংবাদ, গোলকগঞ্জ, ১৬ জানুৱাৰীঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ খেৰবাৰী চতুৰ্থ খণ্ড গাঁৱৰ জনবসতিপূৰ্ণ এলেকাত নিৰ্মীয়মাণ সুৰাৰ দোকান স্থানীয় ক্ষুদ্ধ মহিলা আৰু ছাত্ৰ-ছাত্ৰীয়ে ভাঙি দিয়াক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। জানিব পৰা মতে, অসম চৰকাৰৰ আবকাৰী বিভাগে খেৰবাৰী চতুৰ্থ খণ্ড গাঁৱত বিলাতী সুৰাৰ দোকানৰ বাবে নিবিদা আহ্বান কৰে। সেই মতে হালাকুৰাৰ ৰাধা কান্ত ৰায়ে অনুজ্ঞাপত্ৰ লাভ কৰে। জনৈক ৰাধা কান্তই গাঁওখনৰ প্ৰফুল্ল কুমাৰ ৰায়ৰ ঘৰৰ সন্মুখৰ মাটিত দোকানখন নিৰ্মাণ কৰিবলৈ লয়। জনবসতিপূৰ্ণ এলেকাত মদৰ দোকান স্থাপনক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ আশংকাত স্থানীয় ৰাইজে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰে। অভিযোগ মতে, অকল জনবসতিপূৰ্ণ এলেকাই নহয় সংলগ্ন হৈ আছে খেৰবাৰী ডাকঘৰ, এশ মিটাৰৰ ভিতৰত আছে খেৰবাৰী চতুৰ্থ খণ্ড আয়ুষ্মান আৰোগ্য মন্দিৰ (উপ স্বাস্থ্য কেন্দ্ৰ), কাঞ্জুল উলুম খেৰবাৰী বাজাৰ মাদ্ৰাছা আৰু খেৰবাৰী মছজিদ। তদুপৰি ডেৰশ মিটাৰৰ ভিতৰত অৱস্থিত যুধিষ্ঠিৰ চক্ৰৱৰ্তী প্ৰাথমিক বিদ্যালয় আৰু খেৰবাৰী বাজাৰ মজলীয়া ইংৰাজী বিদ্যালয়। উল্লেখ্য যে ধৰ্মীয় প্ৰতিষ্ঠান বা শিক্ষানুষ্ঠানৰ কাষত সুৰাৰ দোকান বিভাগীয় নিয়মানুসৰিও বাধা নিষেধ আছে। স্থানীয় ৰাইজে উক্ত স্থানত সুৰাৰ দোকান দিয়াত তিনিবাৰকৈ বাধা প্ৰদান কৰিছিল। তদুপৰি যোৱা ২৬ নৱেম্বৰত স্থানীয় ৰাইজে সুৰাৰ দোকান বন্ধৰ দাবী জনাই জিলা আয়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। কিন্তু সকলো বাধা নেওচি অনুজ্ঞাপত্ৰ লাভ কৰা ৰাধা কান্তই এক প্ৰকাৰ বলপূৰ্বক নিৰ্মাণ কাৰ্য অব্যাহত ৰাখে। আজি ক্ষোভৰ বহিঃপ্ৰকাশ ঘটে। স্থানীয় মহিলা আৰু স্থানীয় বিদ্যালয় দুখনৰ ছাত্ৰ-ছাত্ৰী ওলাই আহি নিৰ্মীয়মাণ দোকানখন ভাঙি লণ্ড ভণ্ড কৰে। অতিশীঘ্ৰে উক্ত স্থানৰ পৰা সুৰাৰ দোকানখন স্থানান্তৰ নকৰিলে স্থানীয় ৰাইজে তীব্ৰ আন্দোলন কৰাৰ ভাবুকি দিয়ে।

# ফাঁচি বজাৰত মাৰোৱাৰী যুৱ মঞ্চৰ কামাখ্যা মহিলা শাখাৰ শিল্পী দিৱস উদযাপন

**ই-সংবাদ, গুৱাহাটী, ১৬ জানুৱাৰীঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৱিত্ৰ স্মৃতি দিৱস আজি মাৰোৱাৰী যুৱ মঞ্চৰ কামাখ্যা মহিলা শাখাৰ সৌজন্যত গীত-কবিতা-কথাৰে ফাঁচি বজাৰস্থিত সাংগানেৰিয়া ধৰ্মশালাত বৰ্ণিল কাৰ্যসূচীৰে উদযাপন কৰা হয়। আদিতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ অৰ্পণ সামুহিকভাৱে কৰা হয়। ইয়াৰ পিছত মাৰোৱাৰী যুৱ মঞ্চৰ কামাখ্যা মহিলা শাখাৰ সভাপতি স্নেহাল বিদাসেৰিয়াৰ সভাপতিত্বত মূল সভা অনুষ্ঠিত হয়। আহ্বায়ক অৰুণা আগৰৱালাই আঁত ধৰা, উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ দিয়া সভাত মূল বক্তৃতা প্ৰদান কৰি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক-সাহিত্যিক দীপক শৰ্মাই কয় যে জাতিক জগাবলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত-কবিতা, নাটক আদিৰ বহুল প্ৰচাৰ কৰিব লাগিব। সাম্প্ৰতিক সময়ৰ পৰিস্থিতি বৰ পয়ালগা। জটিল সন্ধিক্ষণত আমি উপনিত হৈছো। আমাৰ ইতিবাচক খবৰটো হ'ল মাৰোৱাৰী ভাই-ভনীসকলে অসমীয়া ভাষাত কবিতা, গীত গাবলৈ আৰম্ভ কৰিছে। কথা ক'বলৈ চেষ্টা কৰিছে। প্ৰাৰম্ভিক কাৰ্যসূচী অনুসৰি শিক্ষানুষ্ঠানৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীয়ৰী জ্ঞানশ্ৰী পাঠকে সন্মানিত অতিথি হিচাপে অংশ লৈ মাৰোৱাৰী মহিলাসকলে পৰিৱেশন কৰা গীত-কবিতা পাঠ অসমীয়া ভাষাত শুনিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি কয়।

# ‘ৱেইটিং ফৰ গ’ডো’ৰ চমৎকাৰ অসমীয়া অভিযোজনা ‘এদিন তেওঁ আহিব’

■ প্ৰাঞ্জল এ. শৰ্মা

ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে চেমুৱেল বেখেটৰ 'ৱেইটিং ফৰ গ'ডো' নাটকখন পঢ়িবলগীয়া হৈছিল। 'এবচাৰ্ড' ধাৰণাটো সেই সময়ত স্পষ্ট নাছিল কাৰণেই নে, তাৰ আগতে পঢ়া নাটকবোৰৰ লগত নিমিলাধৰণৰ বাবেই সেই নাটকখন বৰ নিৰস,টান,অদ্ভুত লাগিছিল। তথাপিও বিদ্যায়তনিক কাৰণতেই অপ্ৰিয় ধৰণৰ হ'লেও নাটকখন পঢ়িছিলো।

কাট টু ২০১১ চন। অধুনালুপ্ত প্ৰাইম নিউজ নামৰ বৈদ্যুতিন সংবাদ প্ৰতিষ্ঠানটোত 'মঞ্চ' নামৰ এটা অনুষ্ঠান পৰিবেশন কৰিছিলোঁ মই। তেতিয়াই খ্যাতিমান নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ অসমীয়া অভিযোজনাৰে প্ৰয়াত প্ৰবীণ শইকীয়াৰ পৰিচালনাৰে 'এদিন তেওঁ আহিব' নাটকখন সম্পৰ্কত 'মঞ্চ'ৰ এটা খণ্ড ৰূপায়ণ কৰিছিলোঁ আৰু নাটকখন উপভোগ কৰিছিলোঁ। সেইদিনাহে যেন মই চেমুৱেল বেখেটৰ 'ৱেইটিং ফৰ গ'ডো' নাটকখনক সহজ অৰ্থত বুজিব পাৰিছিলোঁ। বাহ, কি চমৎকাৰ অসমীয়াকৰণ। দেখাত অসংলগ্ন সংলাপেৰে ৰচিত নাটকখনত কি ধৰণৰ এক অদেখা অচিন্ন আন্তঃসম্পৰ্কৰে ভৰা জীৱন দৰ্শন লুকাই আছে, তেতিয়াহে বুজিছিলোঁ।



পৰৱৰ্তী সময়ত সেই নাটকখন এখন কিতাপ হিচাপে প্ৰকাশ হৈছিল। চেমুৱেল বেখেটৰ 'ৱেইটিং ফৰ গ'ডো'ৰ হিল্লোল কুমাৰ পাঠকে কৰা অসমীয়া অভিযোজনা 'এদিন তেওঁ আহিব'। সেই কিতাপখনৰ পৰায়ে নাটকখন পৰিৱেশন কৰাৰ সিদ্ধান্ত লৈছিল কেইগৰাকীমান উদ্যমী, প্ৰতিভাধৰ, যুৱ নাট্যকৰ্মীয়ে। 'মিৰদান' নামৰ নাট্যদলটোৱে নাটকখন পৰিৱেশন কৰে। যোৱা ১১ জানুৱাৰীত গুৱাহাটীৰ পূৰ্বৰংগ থিয়েটাৰত হিল্লোল কুমাৰ পাঠক ৰচিত আৰু অংশুমান শইকীয়া পৰিচালিত 'এদিন তেওঁ আহিব' উপভোগ কৰিলো। 'ইন্টিমেট থিয়েটাৰ' পদ্ধতিত পৰিৱেশন কৰা নাটকখন উপভোগ কৰি চমকিত হৈ

**পৰিচালক অংশুমান শইকীয়া আৰু অভিনেতা অল্লানদ্বীপ শইকীয়াই গোগো আৰু দিদি ৰূপ ধাৰণ কৰি নাটখনত কৈ গ'ল জীৱন, জীৱিকা, আত্মিক তাড়ণাৰ বহু কথা...**

পৰিলো। কি অদ্ভুত অভিব্যক্তি, সঞ্চালন, সন্তুলন প্ৰতিগৰাকী অভিনেতাৰ। অল্লানদ্বীপ শইকীয়া, অংশুমান শইকীয়া, হৃদয়দ্বীপ গগৈ, ভৰত চাহু আৰু দীপজ্যোতি শইকীয়াৰ অনবদ্য অভিনয়ে চেমুৱেল বেখেটে সৃষ্টি কৰা জীৱন দৰ্শনৰ বায়বিক চেতনাক হিল্লোল কুমাৰ পাঠকৰ কাপেৰে নিগৰি অহা আপোন অসমীয়া লেপনেৰে আমালৈ সিচৰতি কৰি দিছিল। আমাৰ সমুখত ভ্লাদিমিৰ, এষ্ট্ৰাগন, লাকী, পোজো আৰু বাৰ্তাবাহকে এনেকুৱা এখন নাট্যৰসে জীপাল জাল তৰিছিল যে আমি কেৱল নিশ্চুপ হৈ মুগ্ধনয়নে চায়েই থাকিলো।

পৰিচালক অংশুমান শইকীয়া আৰু অভিনেতা অল্লানদ্বীপ শইকীয়াই গোগো আৰু দিদি ৰূপ ধাৰণ কৰি কৈ গ'ল জীৱন, জীৱিকা, আত্মিক তাড়ণাৰ বহু কথা। হৃদয়দ্বীপ গগৈ আৰু ভৰত চাহুৱে পোজো আৰু লাকীৰ ৰূপ লৈ দেখুৱাই গ'ল দাসত্ব আৰু প্ৰভুত্বৰ অসমতুল জগতখন আৰু নৈৰ্ব্যক্তিক চেতনাৰে কিদৰে বান্ধ খাই আছে জীৱন আৰু জগত। আনফালে বাৰ্তাবাহক ৰূপী দীপজ্যোতি শইকীয়াৰ ক্ষণিত উপস্থিতিয়েই যেন 'তেওঁ'ৰ আগমন আৰু অস্তিত্বৰ সম্পৰ্কত আমাৰ মনত সৃষ্টি হোৱা উৎকণ্ঠাক সাৰ যোগাইছিল।

দুটা এক্টৰ নাটকখনৰ প্ৰতিটো এক্টৰ অন্তত 'এদিন এদিন এদিন' বুলি নাট্যকাৰে সৃষ্টি কৰা স্থিত আৰু ভৱিতব্যৰ মাজত ডুলি থকা চিন্তাৰ পেণ্ডুলামটো আমাৰ আগত দাঙি ধৰিছিল। কি চমৎকাৰ। এক অৰ্থত সাম্প্ৰতিক সময়ৰ এক অনবদ্য অভিযোজনা 'এদিন তেওঁ আহিব'। বৰ ভাল লাগিল। আকৌ এবাৰ উপভোগৰ হেঁপাহ থাকিল।

---

# ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ভাৰংগমলৈ নিৰ্বাচিত কবি প্ৰণৱ কুমাৰ বৰ্মনৰ দুখনকৈ বিশেষ নাটক

## মাংৰি | ফিনিক্স পখী



• মনোজ শৰ্মা

**অসমৰ এক জ্বলন্ত সমস্যাক লৈ ৰচিত নাটক দুখনে বাহিৰৰ দৰ্শকক মুগ্ধ কৰিব পাৰিব বুলি আশা কৰিছে নাট্যপ্ৰেমীসকলে...**

ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ উদ্যোগত প্ৰতিবছৰে আয়োজিত এচিয়াৰ সৰ্ববৃহৎ নাট মহোৎসৱ ভাৰংগমলৈ কবি, ঔপন্যাসিক, নাট্যকাৰ প্ৰণৱ কুমাৰ বৰ্মনে ৰচনা কৰা দুখনকৈ নাটক নিৰ্বাচিত হোৱাত তেওঁৰ গৃহ জিলা নলবাৰীত নাট্যানুৰাগীসকল উৎফুল্লিত হৈ পৰিছে। এগৰাকী নাট্যকাৰৰ এটা বৰ্ষতে দুখনকৈ নাটক নিৰ্বাচিত হোৱাত নলবাৰী বাসীয়ে গৌৰৱ অনুভৱ কৰিছে। কবি বৰ্মনৰ নিৰ্বাচিত নাটক দুখন হ'ল "মাংৰি" আৰু "ফিনিক্স পখী"। চিফুং দ্যা আৰ্টিষ্ট- এ নিবেদন কৰা "মাংৰি" ইতিমধ্যে শংকৰদেৱ কলাক্ষেত্ৰ, নলবাৰী নাট্য মন্দিৰ আৰু ডুলীয়াজানৰ পথাৰ ৰাষ্ট্ৰীয় নাট উৎসৱত মঞ্চস্থ হৈ দৰ্শকৰ ভূয়সী প্ৰশংসা পাবলৈ সক্ষম হৈছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ অসমৰ প্ৰথম মহিলা ছহিদ মাংৰি ওৰাঙৰ জীৱন ভিত্তিক নাটখন পৰিচালনা কৰিছে পৰী শৰণীয়াই। অভিনয় কৰিছে সুজিত শৰ্মা, মইনুল হক, সত্যেন শৰ্মা, মদন বৰ্মন, গকুল মহন্ত, জিতু কলিতা, ত্ৰিদীপ ৰঞ্জন মেধি,ৰঞ্জন তালুকদাৰ, জ্যোতিৰূপা শৰ্মা, অঞ্জু বৰ্মন, অৰ্চনা গোস্বামী, দিয়া অলেম্যান, অলিম্পিকা ৰাজবংশী, নিহাৰিকা ৰাজবংশী, অলিস্মিতা, পপীকে ধৰি ডেৰশতাধিক শিল্পীয়ে। সংগীত দীপক দাস আৰু মানস দত্তৰ। নাটকখন ৬ ফেব্ৰুৱাৰীত চট্টিছগড়ৰ ৰায়গড়ত অনুষ্ঠিত হব। কবি বৰ্মন ৰচিত আনখন নাটক "ফিনিক্স পখী" নিবেদন কৰিছে ছিপাঝাৰৰ "চৰ্চা" ই। অসীম কুমাৰ নাথ পৰিচালিত নাটক খনো ইতিমধ্যে অসমৰ বিভিন্ন মঞ্চত মঞ্চস্থ হৈ দৰ্শক-সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিছে। বাস্তৱহাৰা মানুহৰ জীৱন আধাৰিত নাটকখন কাব্যিক সংলাপ আৰু অনন্য পৰিচালনাশৈলীৰ বাবে সকলো দৰ্শকৰ বাবেই এখন মনোগ্ৰাহী নাটক হিচাপে পৰিগণিত হৈছে। নাটকখন ফেব্ৰুৱাৰী মাহত পঞ্জাৱত মঞ্চস্থ হ'ব। অসমৰ ইতিহাসৰ এক নিৰুদ্দিষ্ট অধ্যায় আৰু অসমৰ এক জ্বলন্ত সমস্যাক লৈ ৰচিত নাটক দুখনে বাহিৰৰ দৰ্শকক মুগ্ধ কৰিব পাৰিব বুলি আশা কৰা হৈছে।

# ছেপাকটাক্ৰ প্ৰতিযোগিতাত শোণিতপুৰৰ বিশেষ সাফল্য

**ই-সংবাদ, তেজপুৰ, ১৬ জানুৱাৰীঃ** ৰাষ্ট্ৰীয় ছেপাকটাক্ৰ প্ৰতিযোগিতাত উজলিল শোণিতপুৰৰ খেলুৱৈ। তেজপুৰ শালনিবাৰী সশস্ত্ৰ সীমা বলৰ দুটা দলে এই প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। যোৱা ১০ জানুৱাৰীৰ পৰা ১৪ জানুৱাৰীলৈ তেলেংগানাৰ হনুমাকন্দাত অনুষ্ঠিত ৩৪ সংখ্যক ছিনিয়ৰ নেশ্যনেল ছেপাকটাক্ৰ চেম্পিয়নশ্বিপত শোণিতপুৰ জিলাৰ তেজপুৰ গৰৈমাৰী এছএছবি শালনিবাৰীৰ পুৰুষ আৰু মহিলাৰ দলে ৬ টাকৈ সোণৰ পদক অৰ্জন কৰি জিলাখনৰ লগতে ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অল ইণ্ডিয়া পুলিচ স্পৰ্টছ কণ্ট্ৰোল দলৰ হৈ অংশগ্ৰহণ কৰা এছ এছ বি শালনিবাৰীৰ পৰা এই চেম্পিয়নশ্বিপত পুৰুষ শাখাত আকাশ সিং, যতীন সিং আৰু হেনৰী সিঙে অংশগ্ৰহণ কৰে। আনহাতে মহিলা শাখাত মেইপাক দেৱী, লিয়েৰেন্তনবী দেৱী, প্ৰিয়া দেৱী আৰু ই. প্ৰিয়া দেৱীয়ে অংশগ্ৰহণ কৰে। পুৰুষ শাখাত ৩ টা আৰু মহিলা শাখাত ৩ টাকৈ সোণৰ পদকেৰে সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। খেলুৱৈসকলৰ প্ৰশিক্ষক হিচাপে আছিল এছএছবিৰ জোৱান সন্দীপ।

# অষ্ট্ৰেলিয়ান অপেনত অগ্ৰগতি এন-মিগেলৰ

**মেলবৰ্ণ, ১৬ জানুৱাৰীঃ** অষ্ট্ৰেলিয়ান অ'পেনত দুৰ্দান্ত জয়েৰে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু তেওঁৰ মেক্সিকান সহযোগী মিগেল এঞ্জেল ৰেয়েছ-ভাৰেলা। বৃহস্পতিবাৰে প্ৰথম ৰাউণ্ডৰ পুৰুষৰ ডাবলছ মেচত ডাচ-কাজাখৰ যুটি ৰবিন হাছ আৰু আলেকজেণ্ডাৰ নেডভাইছভক ৬-৪, ৬-৩ ব্যৱধানত ষ্ট্ৰেইট ছেটত পৰাস্ত কৰে। খেলখনৰ প্ৰথম ছেটত ভাৰতৰ বালাজী আৰু ৰেয়েছ-ভাৰেলাই ষষ্ঠখন খেলত ব্ৰেক লৈ খেলখন নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয় যদিও ক্ষন্তেকতে বেক ব্ৰেক কৰে। অৱশ্যে দশমখন খেলত দুৰ্দান্ত উইনাৰ হিটেৰে প্ৰথম ছেটত জয়লাভ কৰে। দ্বিতীয় ছেটত, হাছে আৰু নেদভোজেভে এক ডাঙৰ ভুল কৰাৰ ফলত, বালাজী আৰু ৰেয়েছ-ভেৰেলাই অষ্টম খেলখনত গুৰুত্বপূৰ্ণ ব্ৰেক লাভ কৰি খেলখন পূৰ্ণৰূপে নিজৰ দখলত আনে। আনহাতে, পুৰুষৰ ডাবলছৰ পৰা বাহিৰ হৈছে ভাৰতৰ তৃতীয় বাছনিপ্ৰাপ্ত টেনিছ খেলুৱৈ ঋত্বিক বলিপল্লী।



অষ্ট্ৰেলিয়ান অপেনৰ মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত জয়ৰ পিছত ইংলেণ্ডৰ ২২ বৰ্ষীয় টেনিছ সুন্দৰী ইমা ৰাডুকানু

## ভাৰতীয় দলৰ বেটিং ব্যৰ্থতাক লৈ উদ্বিগ্ন বিচিচিআই

# সীতাংশু কোটাকক নতুন বেটিং প্ৰশিক্ষক নিযুক্তি

**নতুন দিল্লী, ১৬ জানুৱাৰীঃ** টিম গৌতম গম্ভীৰৰ কোচিং ষ্টাফত সংযোজন ঘটিল এটা নতুন নাম। ইংলেণ্ডৰ শৃংখলাৰ পূৰ্বে ভাৰতীয় দলৰ বেটিং প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে সীতাশু কোটাকক। উল্লেখ্য যে, ভাৰতীয় পুৰুষ দলটোৰ মুখ্য প্ৰশিক্ষকৰূপে গৌতম গম্ভীৰে দায়িত্ব লোৱাৰ পাছত বেটিং প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হোৱা নাছিল আন কোনো প্ৰশিক্ষকক। কিন্তু শেহতীয়াকৈ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ লগতে অন্য শৃংখলাত ভাৰতীয় দলটোৰ ধাৰাবাহিক ব্যৰ্থতাৰ পিছতে এতিয়া নতুন বেটিং প্ৰশিক্ষক নিযুক্তিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বিচিচিআইয়ে। অন্যহাতে, আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত সীতাশু কোটাক সুপৰিচিত নহলেও, ভাৰতীয় ঘৰুৱা ক্ৰিকেটত এক সন্মানীয় নাম হৈ আহিছে কোটাক। সৌৰাষ্ট্ৰৰ হৈ ২০ বছৰ ধৰি প্ৰথম শ্ৰেণীৰ ক্ৰিকেট খেলি ১৩০খন মেচত গড়ে ৪১.৭৬ ৰানেৰে ৮০৬১ ৰান সংগ্ৰহ কৰিছে সীতাশু কোটাকে। তেওঁৰ কেৰিয়াৰত আছে ১৫টা শতক আৰু ৫৫টা অৰ্ধশতক। ইয়াৰ উপৰিও তেওঁ ৮৯খন লিষ্ট এ মেচত গড়ে ৪২.২৩ প্ৰদৰ্শনেৰে সংগ্ৰহ কৰিছে ৩০৮৩ ৰান। উল্লেখ্য যে, খেলপথাৰত কোটাকৰ অন্যতম শক্তি আছিল তেওঁৰ বেটিং কৌশল। পৰিস্থিতি অনুযায়ী তেওঁ বেটিং কৌশল সলনি কৰি দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিছিল। তেওঁ জাতীয় দলৰ হৈ খেলাৰ সুযোগ লাভ নকৰিলেও কোটাকে এনচিএত ভিভিএছ লক্ষ্মণৰ সৈতে কাম কৰি ২০১৯ চনত ৰাহুল দ্ৰাবিড়ৰ পিছত ইণ্ডিয়া এ দলৰ প্ৰশিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁৰ প্ৰশিক্ষক দক্ষতা আৰু বেটিং দক্ষতাই ৰাষ্ট্ৰীয় দলৰ বাবে নতুন খেলুৱৈ গঢ়ি তোলাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। কোটাকৰ নেতৃত্বত ভাৰতীয় দলটোৰ প্ৰদৰ্শন পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।

# ক্ৰিকেট দল কিনিব সুন্দৰ পিচাইয়ে!

**ইংলেণ্ড, ১৬ জানুৱাৰীঃ** ক্ৰিকেটৰ প্ৰতি ভাৰতীয়ৰ অগাধ ভালপোৱা কোনো নতুন কথা নহয়। ভাৰতত ক্ৰমাৎ বৃদ্ধি পাইছে ক্ৰিকেটৰ জনপ্ৰিয়তা। ক্ৰিকেটক লৈ ভাৰতীয়ৰ এনে উন্মাদনাৰ মাজতে এতিয়া ইংলেণ্ডৰ 'দ্য হাণ্ড্ৰেড' লীগত বিনিয়োগ কৰিবলৈ আগবাঢ়িছে গুগলৰ চিইঅ' সুন্দৰ পিচাই। খবৰ অনুসৰি সুন্দৰ পিচাইয়ে নিজৰ বিনিয়োগ সংস্থাৰ জৰিয়তে লণ্ডনৰ ক্ৰিকেট দল দুটাৰ ভিতৰত এটা দলৰ নিলামত অংশগ্ৰহণ কৰিব বিচাৰিছে। অ'ভাল ইনভিনচিবলছ আৰু লণ্ডন স্পিৰিটৰ মাজত তেওঁ কোনটো দল কিনিব সেই সন্দৰ্ভত আলোচনা চলি আছে। খবৰ অনুসৰি, দ্য হাণ্ড্ৰেড লীগত কৰিব বিচৰা বিনিয়োগৰ পৰিমাণ হৈছে প্ৰায় ৯৭ মিলিয়ন ডলাৰ। অৱশ্যে পিচাইৰ লগতে আন কেইবাগৰাকী উদ্যোগীয়েও এই লীগত বিনিয়োগ কৰিবলৈ আগ্ৰহ ব্যক্ত কৰিছে। উল্লেখ্য যে, ২০২১ চনৰ পৰা আৰম্ভ হোৱা ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডৰ এক নতুন পদক্ষেপ হৈছে হাণ্ড্ৰেড টুৰ্ণামেণ্ট। এই লীগৰ সফলতা ইংলেণ্ডৰ নৱপ্ৰজন্মৰ মাজত জনপ্ৰিয়তাৰ দ্বাৰা প্ৰমাণিত হৈছে। এই ১০০ টা বলৰ চুটি ফৰ্মেটৰ খেলখনে দৰ্শকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে আৰু টিকট বিক্ৰী, সম্প্ৰচাৰ আৰু পৃষ্ঠপোষকতাৰ জৰিয়তে ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডে বছৰি প্ৰায় ৬ কোটি পাউণ্ড উপাৰ্জন কৰি আহিছে। লক্ষ্যণীয় যে, ভাৰতীয় ব্যৱসায়ীসকলে ক্ৰিকেটত বিনিয়োগ কৰাৰ এয়া নতুন উদাহৰণ নহয়। ইয়াৰ পূৰ্বে সত্য নাডেলা আৰু শান্তনু নাৰায়ণনেও আমেৰিকান মেজৰ লীগ ক্ৰিকেটত বিনিয়োগ কৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি